# অসমীয়া সাহিত্য সোপান

## তৃতীয় শ্ৰেণী



গ্ৰুহিলচ্

# অসমীয়া সাহিত্য সোপান

## তৃতীয় ভাগ

(তৃতীয় শ্ৰেণীৰ বাবে)

প্ৰণেতা

গ্ৰুহিলচ্ পাবিশ্বিং লিখক সমিতি

গ্ৰুহিলচ্ পাব্লিশ্বিং

কমলপুৰ, বৰপেটা (অসম)

**ASOMIYA SHAHITYA SHOPAN- A TEXT BOOK OF ASSAMESE (MIL) FOR CLASS-III** composed by Growhills Publishing Writers Board, edited by Growhills Publishing Editorial Board and Published by Growhills Publishing.

..................................................................................................................................................

*All rights reserved. No part of this publication may be reproduced, stored in a retrieval system or transmitted in any form or by any means: electronic, mechanical, photocopying recording or otherwise.*

This book is especially designed to meet the long-felt demand of private educational institutes of North-east India. The materials have been compiled and edited from various sources. The publisher is not aware of any copyright violations in any form which has been incurred while preparing this book. We are ready to appreciate and take immediate action to rectify and overcome such thing which has occurred unintentionally or unknowingly in any form towards anyone incase it is brought to our notice.

**Interent Edition:**
**Website: www.growhillsnet.com**
**Email: growhills@growhillsnet.com**

**Price : Rs ................... /**

**Published by**
GROWHILLS PUBLISHING
KAMALPUR, BARPETA (ASSAM)

# পাঠ্যপুথি প্ৰণয়ন আঁচনিৰ  আগকথা

সাম্প্ৰতিক কালত আমাৰ দেশত জনসংখ্যা বৃদ্ধিৰ অনুপাতত চৰকাৰী পৃষ্ঠপোষকতাত পৰিচালিত শিক্ষানুষ্ঠানৰ সংখ্যা বৃদ্ধি পোৱা নাই। সেয়ে আমাৰ দেশত, বিশেষকৈ আমাৰ অসমত, ব্যক্তিগত উদ্যমত বহুতো বেচৰকাৰী শিক্ষানুষ্ঠান গঢ়ি উঠিছে। কিন্তু চৰকাৰে ব্যক্তিগত উদ্যোগত স্থাপন হোৱা শিক্ষানুষ্ঠানসমূহৰ প্ৰতি পিঠি দি আছে। এক সমীক্ষাৰ পৰা জনা গৈছে যে বৰ্তমান ক্ৰমঃবৰ্ধিত সংখ্যক ল'ৰা-ছোৱালীৰ বাবে প্ৰয়োজন হোৱা পৰ্যাপ্ত চৰকাৰী বিদ্যালয়ৰ অভাৱত আমাৰ অসমৰ মুঠ ছাত্ৰ -ছাত্ৰীৰ ৪৫ শতাংশই ব্যক্তিগত বিদ্যালয়ত নামভৰ্তি কৰিবলৈ বাধ্য হৈছে। আনহাতে বেচৰকাৰী বিদ্যালয়সমূহে বিত্তীয় আৰু উপযুক্ত আন্তঃগাঁথনিৰ অভাৱত ভুগি থকাৰ ওপৰিও সেইবোৰে যি জলন্ত সমস্যাত ভুগি আছে সেয়া হৈছে পাঠ্যপুথিৰ অভাৱ। এয়া দুখৰ বিষয় যে ব্যক্তিগত বিদ্যালয়সমূহত চৰকাৰে কোনো পাঠ্যপুথি যোগান নধৰে। সেয়ে বেচৰকাৰী বিদ্যালয়সমূহে হয় নিজাববীয়াকৈ নাইবা অন্য ৰাজ্যৰ পৰা পাঠ্যপুথি আমদানি কৰিবলগা হৈছে। কিন্তু এনে পাঠ্যক্ৰমত সংহতি আৰু উপযুক্ত মানদণ্ডৰ অভাৱ পৰিলক্ষিত হোৱাত বেচৰকাৰী শিক্ষানুষ্ঠানসমূহে দুৰ্যোগ ভুগি আছে। এই দুৰ্যোগ দূৰ কৰাৰ উদ্দেশ্য লৈ গ্ৰঃহিলচ্ পাব্লিশ্বিং (প্ৰকাশন উদ্যোগ)ৰ তৰফৰ পৰা বেচৰকাৰী  শিক্ষানুষ্ঠানসমূহৰ বাবে পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশৰ বাবে এক দুঃসাহসিক অভিযান আৰম্ভ কৰা হৈছে।

আমাৰ লক্ষ্য হৈছে চৰকাৰী সহায়-সহযোগিতা আৰু পৃষ্ঠপোষকতা নোপোৱা  বেচৰকাৰী বিদ্যালয়সমূহৰ বাবে এক সুসংহত, সুপৰিকল্পিত পাঠ্যপুথি প্ৰণয়ন কৰা, প্ৰকাশ কৰা আৰু সুলভ মূল্যত যোগান ধৰা।

আমাৰ আঁচনিৰ সফল ৰূপায়ন কৰাৰ বাবে বহুকেইজন অভিজ্ঞ শিক্ষক-শিক্ষয়িত্ৰী, অধ্যাপক-অধ্যাপিকাক লৈ আমি 'গ্ৰঃহিলচ্ পাব্লিশ্বিং পাঠ্যপুথি গৱেষক সমিতি', 'গ্ৰঃহিলচ্ পাব্লিশ্বিং লিখক সমিতি' আৰু 'গ্ৰঃহিলচ্ পাব্লিশ্বিং সম্পাদনা সমিতি' নামৰ তিনিখন সমিতি গঠন কৰিছোঁ। ইয়াৰ লগতে আমি সময়ে সময়ে  বিশিষ্ট শিক্ষাবিদ,গৱেষক আৰু চিন্তাবিদসকলৰ দিহা-পৰামৰ্শ গ্ৰহণ কৰি আছোঁ।

আমাৰ আঁচনিৰ পাঠ্যপুথিসমূহ প্ৰণয়ন কৰোঁতে আমি ৰাষ্ট্ৰীয় শৈক্ষিক অনুসন্ধান আৰু প্ৰশিক্ষণ পৰিষদে যুগুতোৱা ৰূপৰেখাৰ আধাৰত প্ৰৱৰ্তন কৰা পাঠ্যপুথিসমূহক আৰ্হি হিচাপে লৈছোঁ যদিও আমি আমাৰ গৱেষক সমিতিয়ে নিজাববীয়াকৈ যুগুতোৱা আৰ্হিও অনুকৰণ কৰিছোঁ।

পাঠ্যপুথি প্ৰস্তুতকৰণৰ সময়ত ৰাজ্যৰ স্থানীয় বৈশিষ্ট্য, পৰিৱেশ, পৰম্পৰা, আৰ্থ-সামাজিক ভেটি আদিৰ প্ৰতি গুৰুত্ব দিয়া হৈছে। লগতে যুগসাপেক্ষ তথা পৰিৱৰ্তিত পৰিস্থিতিৰ কথাও মনত ৰখা হৈছে। ভাষা, শব্দ চয়ন আৰু বানানৰ ক্ষেত্ৰত আমি 'হেমচন্দ্ৰ বৰুৱাৰ 'হেমকোষ' আৰু 'চন্দ্ৰকান্ত অভিধান' অনুকৰণ কৰিছোঁ।

আমাৰ আঁচনিত বহুতো পণ্ডিত আৰু গণ্যমান্য সমল  ব্যক্তিৰ লগতে  কেইবাটাও বেচৰকাৰী সংগঠন (N. G. O.) য়ে পৃষ্ঠপোষকতা, সহযোগ আৰু উৎসাহ-উদ্দীপনা আগবঢ়াইছে। তেখেতসকললৈ আমি আমাৰ হিয়াৰ অভ্যন্তৰৰ  পৰা শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনালোঁ।

**প্ৰকাশক**
**গ্ৰঃহিলচ্ পাব্লিশ্বিং**

# সূচীপত্ৰ


## গোট-১

পাঠ-এক — বিভিন্ন বৰ্ণৰ লগত ‘ম’ যোগ / ৫
পাঠ-দুই — দুজন বন্ধু আৰু এটা ভালুক / ১০
পাঠ-তিনি — বিভিন্ন বৰ্ণৰ লগত ‘ঙ’ যোগ/ ১৪
পাঠ-চাৰি — ঈশ্বৰ (পদ্য) / ১৮

## গোট-২

পাঠ-পাঁচ — ভিন ভিন বৰ্ণৰ লগত ‘শ’ যোগ / ২১
পাঠ-ছয় — মাদাৰ টেৰেছা /২৫
পাঠ-সাত — ভিন ভিন বৰ্ণৰ লগত ‘ব’ যোগ / ২৯
পাঠ-আঠ — জয় (পদ্য) / ৩৩

## গোট-৩

পাঠ-ন — ভিন ভিন বৰ্ণৰ লগত ‘ল’ যোগ / ৩৬
পাঠ-দহ — তাজমহল / ৪০
পাঠ-এঘাৰ — ভিন ভিন বৰ্ণৰ যোগ / ৪৩
পাঠ-বাৰ — জ্ঞানী ল’ৰা (পদ্য) / ৪৬

## গোট-৪

পাঠ-তেৰ — চৰাইৰ পৃথিৱী / ৪৯
পাঠ-চৈধ্য — চাইকেলৰ ইতিহাস / ৫৩
পাঠ-পোন্ধৰ — অসম গৌৰৱ বীৰাঙ্গনা মূলাগাভৰু / ৫৭
পাঠ-যোল্ল — অনুকাৰ (পদ্য) / ৬১

গোট-১

## পাঠ ঃ এক

# বিভিন্ন বৰ্ণৰ লগত ‘ম’ যোগ

ম + ভ = ম্ভ (*ময় ভয় ম্ভ*) *যেনে ঃ কুম্ভ, কুম্ভীৰ, কুম্ভকাৰ*
ম + প = ম্প (*ময় পয় ম্প*) *যেনেঃ ভূমিকম্প, কম্পাচ, কোম্পানী*
ম + ল = ম্ল (*ময় লয় ম্ল*) *যেনে ঃ ম্লান, অম্লান, অম্লজান*
ন + ম = ন্ম (*নয় ময় ন্ম*) *যেনে ঃ মৃন্ময়, তন্ময়, হিৰন্ময়,* আজন্ম
হ + ম = হ্ম (*হয় ময় হ্ম*) *যেনে ঃ ব্ৰহ্মা, ব্ৰাহ্মণ, ব্ৰহ্মপুত্ৰ, ব্ৰহ্মজান*
দ + ম = দ্ম (*দয় ময় দ্ম*) *যেনে ঃ পদ্ম, ছদ্ম, পদ্মাৱতী*
ত + ম = ত্ম (*তয় ময় ত্ম*) *যেনে ঃ আত্মা, মহাত্মা, পৰমাত্মা*
ক + ম = ক্ম (*কয় ময় ক্ম*) *যেনে ঃ ৰুক্মিণী, ৰুক্মবীৰ*
গ + ম = গ্ম (*গয় ময় গ্ম*) *যেনে ঃ বাগ্মী, বাগ্মীবৰ*

কুম্ভ মানে কলহ। কলহ গঢ়োতাক কুম্ভকাৰ বোলে।
কুম্ভীৰ মানে ঘৰিয়াল। ঘঁৰিয়াল এবিধ ভয়ংকৰ জলচৰ প্ৰাণী।

ভূমিক ম্প এক প্ৰকাৰ প্ৰাকৃতিক দুৰ্যোগ।
ভূমিকম্পৰ প্ৰাবল্য জোখা একক হ’ল ৰিখটাৰ।

নাবিকসকলে কম্পাচ ব্যৱহাৰ কৰে।
কম্পাচৰ জৰিয়তে দিশ নিৰ্ণয় কৰিব পাৰি।

অক্সিজেনক অম্লজান বোলে। আমি উশাহত অম্লজান গ্ৰহণ কৰোঁ।
সেউজীয়া উদ্ভিদে সূৰ্যৰ পোহৰৰ সহায়ত অম্লজান উৎপন্ন কৰে।

মৃন্ময় মানে মাটিৰে তৈয়াৰী। আগৰ যুগত মানুহে মাটিৰে সজা পাত্ৰ ব্যৱহাৰ কৰিছিল। হৰপ্পা আৰু মহেঞ্জোদাৰোত সিন্ধু উপত্যকাৰ মানুহে ব্যৱহাৰ কৰা বহুতো মাটিৰ পাত্ৰ পোৱা গৈছে।

তন্ময় মানে একাগ্ৰতা। একাগ্ৰচিত্তে কাম কৰিলে আমি জীৱনত সফলতা লাভ কৰিব পাৰোঁ।

হিৰন্ময় মানে সোণৰ দৰে উজ্জ্বল।
গ্ৰীক মহাকবি হোমাৰ আজন্ম অন্ধ আছিল। তেওঁ ইলিয়াদ আৰু ওডিচি নামৰ দুখন মহাকাব্য ৰচনা কৰিছিল।

ব্ৰহ্মপুত্ৰ অসমৰ ডাঙৰ নৈ। ই অসমৰ সোঁমাজেদি বৈ গৈছে। ব্ৰহ্মপুত্ৰ নদক লুইত, মহাবাহু, পদ্মা আদি ভিনি ভিন নামেৰে মতা হয়।

পদ্ম মানে পদুম। পদুম ফুল ভাৰতৰ ৰাষ্ট্ৰীয় ফুল।

কোনো কোনো কবি-সাহিত্যিকে ছদ্ম নাম গ্ৰহণ কৰে। আধুনিক অসমৰ এজন বিখ্যাত কবি নৱকান্ত বৰুৱাই গ্ৰহণ কৰা ছদ্ম নামটো হ'ল 'এখুদ ককাইদেউ'। এনেদৰে উপন্যাসিক বিৰিঞ্চি কুমাৰ বৰুৱাই 'বীণা বৰুৱা' ছদ্ম নামেৰে 'জীৱনৰ বাটত' নামৰ এখন উপন্যাস ৰচনা কৰিছিল।

মহাত্মা গান্ধী আধুনিক ভাৰতীয় জাতিৰ পিতা। তেখেতে অহিংসা নীতিৰে ইংৰাজসকলৰ পৰা ভাৰতবৰ্ষক স্বাধীন কৰিছিল।

# অনুশীলনী

## ক. ভাষা সম্পৰ্কীয় ঃ

### ব্যাকৰণঃ

দ্বিতীয় শ্ৰেণীত বচন সম্পৰ্কে সাধাৰণ ধাৰণা পাই আহিছা। আকৌ মনত পেলোৱা যে অসমীয়াত বচন দুবিধ। যেনে ঃ একবচন আৰু বহুবচন।

পদৰ যি ৰূপৰ দ্বাৰা বস্তু বা প্ৰাণীৰ এটা সংখ্যাৰ বোধ জন্মে তাক **এক বচন** বোলে। যেনে ঃ *মোৰ এখন কলম আছে।*

আনহাতে পদৰ যি ৰূপৰ দ্বাৰা কোনো বস্তু বা প্ৰাণীৰ এটাতকৈ অধিক সংখ্যাৰ বোধ জন্মে তাক **বহু বচন** বোলে। যেনে ঃ *গৰুবোৰে পথাৰত ঘাঁহ খাই আছে।*

সাধাৰণতে বিশেষ্য (সংজ্ঞা) পদৰ পিছত 'বোৰ' যোগ কৰি এক বচনৰ পৰা বহু বচন কৰা হয়। যেনে ঃ

চৰাইবোৰ উৰি আছে।

কলবোৰ পকিছে।

হাঁহবোৰ চৰিছে।

ল'ৰাবোৰে কাজিয়া কৰিছে।

### শব্দ অৰ্থ ঃ

**কুম্ভ** ঃ কলহ।

**কুম্ভকাৰ** ঃ মাটিৰ পাত্ৰ গঢ়োঁতা।

**কুম্ভীৰ** ঃ ঘঁৰিয়াল।

**জলচৰ** ঃ জল (পানী)ত বাস কৰা।

**ছদ্ম নাম** ঃ আনে চিনিব নোৱাৰাকৈ গ্ৰহণ কৰা কৃত্ৰিম নাম।

**তন্ময়** ঃ একাগ্ৰতা বা ভাৱত বিভোৰ।

**আজন্ম** ঃ জন্মৰে পৰা।

**মহাকাব্য** ঃ কোনো এক জাতিৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক আদি বিভিন্ন দিশ প্ৰতিফলিত কৰি ৰচনা কৰা বৰ্ণনাত্মক কাব্য গ্ৰন্থ।

## বিপৰীতাৰ্থক শব্দঃ

জলচৰ ঃ স্থলচৰ
আগ ঃ পিছ
সফলতা ঃ বিফলতা
লাভ ঃ লোকচান
ডাঙৰ ঃ সৰু
বিখ্যাত ঃ অখ্যাত, কুখ্যাত।
অহিংসা ঃ হিংসা

**বিঃ দ্রঃ** একে ভাষাত এটা শব্দৰ বিপৰীত অৰ্থ বুজোৱা আন শব্দক **বিপৰীতাৰ্থক শব্দ** বোলে।

## খ. বিষয়বস্তু সম্পৰ্কীয় ঃ

১। খালী ঠাই পূৰণ কৰা।

(ক) কুম্ভ মানে ....................।

(খ) ............... মানে ঘঁৰিয়াল।

(গ) নাবিকসকলে ......................... ব্যৱহাৰ কৰে।

(ঘ) অক্সিজেনক ..................... বোলে।

(ঙ) মহাকবি হোমাৰ ......................... অন্ধ আছিল।

২। উত্তৰ দিয়া।

(ক) ভূমিকম্পৰ প্ৰাৱল্য জোখাৰ একক কি?

(খ) আমি কেনেদৰে জীৱনত সফলতা লাভ কৰিব পাৰোঁ?

(গ) মহাকবি হোমাৰে ৰচনা কৰা মহাকাব্য দুখনৰ নাম কি?

(ঘ) নৰকান্ত বৰুৱাই গ্ৰহণ কৰা ছদ্ম নামটো কি আছিল?

(ঙ) মহাত্মা গান্ধীয়ে কি নীতিৰে ভাৰতবৰ্ষক ইংৰাজৰ হাতৰ পৰা স্বাধীন কৰিছিল?

৪। ‘ন্ধ’ ব্যৱহাৰ কৰি তিনিটা শব্দ, ‘ন্ম’ ব্যৱহাৰ কৰি তিনটা শব্দ আৰু ‘ত্ম’ ব্যৱহাৰ কৰি তিনিটা শব্দ লিখা।

৫। বানান কৰি পঢ়া।

কোম্পানী অম্লান ব্ৰহ্মজান পদ্মাৱতী গ্লুকোজ ব্ৰহ্মা

৬। তলত দিয়া শব্দ ব্যৱহাৰ কৰি একো একোটা বাক্য সাজাঁ।

মৃন্ময় হিৰন্ময় আজন্ম বিখ্যাত সফলতা অহিংসা

৭। তিনি শাৰী হাতৰ আখৰ লিখা।

# মহাত্মা গান্ধী জাতিৰ পিতা।

## গ . প্ৰকল্প

তোমাৰ শিক্ষকৰ সহায় লৈ ব্ৰহ্মপুত্ৰ নদৰ বিষয়ে পাঁচটামান বাক্য লিখা।

## ঘ . প্ৰেৰণাদায়ক বক্তব্য

আমি পঢ়ি অহা পাঠবোৰ মাজে মাজে **পুনৰাই পঢ়া (পুনৰালোচনা)** ৰ গুৰুত্ব সম্পৰ্কে শিক্ষকে এক প্ৰেৰণাদায়ক বক্তব্য আগবঢ়াব যাতে ছাত্ৰ-ছাত্ৰীয়ে আগতে পঢ়ি অহা পাঠবোৰ পুনৰাই পঢ়িবলৈ উৎসাহ পায়।

সংকেত ঃ

*পুনৰালোচনাই বিষয়-বস্তু দীৰ্ঘ দিনলৈ মনত ৰখাত সহায় কৰে। ই ভাষা কোৱা আৰু লিখাত স্বতঃস্ফূৰ্ততা দান কৰে।*

*ইংৰাজ অভিধান লেখক ড° জনচনে কৈছিল, “আমি প্ৰত্যেক দিন নতুন নতুন কিতাপ পঢ়াতকৈ আগতে পঢ়া কিতাপবোৰ মাজে মাজে পুনৰাই পঢ়া বেছি ফলপ্ৰসু।*

**শিক্ষকলৈ টোকা ঃ** পাঠটি পঢ়োৱাৰ সময়ত শিক্ষক শিক্ষয়িত্ৰীয়ে যুক্তাক্ষৰ ব্যৱহাৰ হোৱা শব্দবোৰ শুদ্ধ উচ্চাৰণত লাহে লাহে কেইবাবাৰো পঢ়ি যাব আৰু শিশুহঁতে পাছে পাছে আওৰাই থাকিব। ছাত্ৰ-ছাত্ৰীয়ে বাৰে বাৰে পঢ়া আৰু লিখাৰ মাধ্যমেৰে শব্দৰ বানানবোৰ আয়ত্ব কৰাৰ ওপৰত গুৰুত্ব দিব।

প্ৰতিটো পাঠৰ বাবে কমেও একসপ্তাহ সময় ধাৰ্য কৰা উচিত।

o o o

# পাঠ ঃ দুই

# দুজন বন্ধু আৰু এটা ভালুক



আজিৰ পৰা প্ৰায় ডেৰশ বছৰ আগৰ কথা। সেই সময়ত আজিৰ দৰে ৰাস্তা-ঘাটৰ ইমান সা-সুবিধা নাছিল। যান-বাহনো নাছিল। মানুহে খোজকাঢ়ি এঠাইৰ পৰা আন ঠাইলৈ যাবলগা হৈছিল। অকল আঢ্যৱন্ত মানুহে ঘোঁৰাগাড়ী বা গৰু গাড়ীৰে যাতায়ত কৰিছিল। অধিকাংশ অঞ্চল হাবি-বননিৰে পৰিপূৰ্ণ আছিল।

এনে সময়ত এখন গাওঁত দেৱজিত আৰু হৰ্ষজিত নামৰ দুজন বন্ধু আছিল। দুই বন্ধুৱে এদিনাখন হাবিৰ মাজেদি থকা লংলুঙীয়া বাটেৰে দূৰৈৰ হাট এখনলৈ গৈ আছিল। সিহঁতে খোজকাঢ়ি গৈ গৈ যেতিয়া হাবিৰ মাজভাগ পালে, তেতিয়া হঠাতে এটা ভালুক দেখা পালে। ভালুকটোৱে সিহঁতক খেদি আহিল। ভালুকটো দেখা পাই দুই বন্ধুৱে বৰ ভয় খালে। তেতিয়া দেৱজিতে হৰ্ষজিতক এৰি ততালিকে দৌৰি ওচৰত থকা ওখ গছ এজোপাত উঠিলগৈ। হৰ্ষজিতে গছ বগাব নোৱাৰে। সেয়ে সি লগেলগে মাটিত শুই পৰিল আৰু মৰা মানুহৰ দৰে পৰি থাকিল।

অলপ পিছতে ভালুকটো হৰ্ষজিতৰ ওচৰলৈ আহি নাক, মুখ আৰু কাণ শুঙি চালে। হৰ্ষজিতে ইমানেই নিশ্চলভাৱে পৰি আছিল যেন তেওঁ মৃত। ভালুকে মৰা মানুহ নাখায়। সেয়ে ভালুকটোৱে তাৰ পৰা গুচি গ'লগৈ।

ভালুকটো আঁতৰি যোৱাৰ পিছত দেৱজিতে গছৰ পৰা নামি আহি বন্ধু হৰ্ষজিতক সুধিলে, "হে বন্ধু, ভালুকটোৱে তোমাৰ কাণে কাণে কি ক'লে ?" "ভালুকটোৱে ক'লে যে যিসকল বন্ধু বিপদৰ সময়ত এৰি যায় সেইসকল বন্ধুৰ পৰা সাৱধানে থাকিবা; সিহঁত কৃত্ৰিম বন্ধু। প্ৰকৃত বন্ধুৱে কেতিয়াও বিপদত এৰি নাযায়।" হৰ্ষজিতে উত্তৰ দিলে।

## অনুশীলনী

### ক. ভাষা সম্পৰ্কীয় ঃ

#### ব্যাকৰণঃ

তলৰ যৌগিক শব্দবোৰ মন কৰাঃ

ৰাস্তা আৰু ঘাট = ৰাস্তা-ঘাট।

গৰু আৰু ম'হ = গৰু-ম'হ।

এনেদৰে 'আৰু' সংযোজক অব্যয় পদৰ দ্বাৰা সংযোগ কৰা দুটা পদক আমি সংক্ষেপে লিখিব পাৰোঁ। এতিয়া তলত দিয়া যৌগিক শব্দবোৰৰ মাজত থকা 'আৰু' উঠাই দি তাৰ পৰিৱৰ্তে হাইফেন (-) ব্যৱহাৰ কৰি পুনৰাই লিখা ঃ

কিতাপ আৰু কাগজ = ..............................।

ডাঙৰ আৰু দীঘল = ..............................।

জীৱ আৰু জন্তু = ..............................।

ৰজা আৰু ৰাণী = ..............................।

ৰজা আৰু প্ৰজা = ..............................।

| | | |
|---|---|---|
| মতা আৰু মাইকী | = | ................................। |
| সৰু আৰু বৰ | = | ................................। |
| দেৱ আৰু দেৱী | = | ................................। |
| ভোকে আৰু পিয়াহে | = | ................................। |
| লঘোনে আৰু ভোকে | = | ................................। |
| শিক্ষক আৰু শিক্ষয়িত্ৰী | = | ................................। |
| ছাত্ৰ আৰু সমাজ | = | ................................। |
| কিতাপ আৰু কাগজ | = | ................................। |

## শব্দ অৰ্থ ঃ

**আঢ্যৱন্ত** ঃ ধনী, চহকী।
**লুংলুঙীয়া** ঃ ঠেক, হাবিয়ে ঢেপি ধৰা।
**ততালিকে** ঃ সোনকালে।
**নিশ্চলভাৱে** ঃ লৰচৰ নকৰাকৈ।
**হাট** ঃ বজাৰ।
**কৃত্ৰিম** ঃ নকল, মিছা।
**প্ৰকৃত** ঃ আচল।

## বিপৰীতাৰ্থক শব্দঃ

আঢ্যৱন্ত ঃ দুখীয়া
লংলুঙীয়া ঃ বহল
কৃত্ৰিম ঃ আচল।
বন্ধু ঃ শত্ৰু।

# খ. বিষয়বস্তু সম্পৰ্কীয় ঃ

১। শুদ্ধ নে অশুদ্ধ কোৰা।

(ক) আগৰ যুগত আঢ্যৱন্ত মানুহে ঘোঁৰা বা গৰু গাড়ীৰে যাতায়ত কৰিছিল।

(খ) ডেৰশ বছৰ আগতে অধিকাংশ অঞ্চল হাবি-বননিৰে পৰিপূৰ্ণ আছিল।

(গ) এদিনাখন দুই বন্ধু আহল-বহল বাটেৰে হাটলৈ গৈ আছিল।

(ঘ) হৰ্ষজিতে ততালিকে দৌৰিগৈ এজোপা ওখ গছত উঠিল।

(ঙ) ভালুকে মৰা মানুহ নাখায়।

২। উত্তৰ দিয়া।

(ক) আগৰ যুগত মানুহে কেনেদৰে যাতায়ত কৰিছিল?

(খ) এদিনাখন দুই বন্ধুৱে ক'লৈ গৈ আছিল?

(গ) হাবিৰ মাজভাগত সিহঁতে কি দেখা পাইছিল?

(ঘ) দেৱজিতে কি কৰিলে?

(ঙ) হৰ্ষজিতে কি কৰিলে?

৪। ভালুকটোৱে হৰ্ষজিতক কাণে কাণে কি কৈছিল?

৫। কাহিনীটো নিজৰ ভাষাত কোৱা। কাহিনীটোৰ পৰা তুমি কি শিক্ষা লাভ কৰিলা?

৬। তলত দিয়া শব্দ ব্যৱহাৰ কৰি একো একোটা বাক্য সাজাঁ।

আঢ্যৱন্ত লুংলুঙীয়া ততালিকে কাণে কাণে নিশ্চলভাৱে

৭। তিনি শাৰী হাতৰ আখৰ লিখা।

# বিপদৰ বন্ধুহে আচল বন্ধু

## গ. প্ৰকল্প

তোমাৰ ভাষাত জন্তু আৰু মানুহক বিষয়-বস্তু হিচাপে লৈ কোনো সাধু কথাৰ পুথি আছে নে? সংগ্ৰহ কৰা।

o o o

# পাঠ ঃ তিনি

# বিভিন্ন বৰ্ণৰ লগত ‘ঙ’ যোগ

ঙ + গ = ঙ্গ (ঙয় গয় ঙ্গ) *যেনে ঃ গঙ্গা, কলিঙ্গ, পতঙ্গ, ৰঙ্গ, সঙ্গ*
ঙ + ক = ঙ্ক (ঙয় কয় ঙ্ক) *যেনে ঃ অঙ্ক, পঙ্ক, লঙ্কা ।*

গঙ্গা ভাৰতৰ এখন ডাঙৰ নদী। গঙ্গা নদীক হিন্দুসকলে পৱিত্ৰ বুলি গণ্য কৰে। এই নদীত স্নান কৰিলে পাপ খণ্ডন হয় বুলি বহুতে বিশ্বাস কৰে।

অশোকৰ দিনত কলিঙ্গ যুদ্ধ সংঘটিত হৈছিল। এই যুদ্ধত লাখ লাখ মানুহৰ মৃত্যু হৈছিল। সম্ৰাট অশোকে যুদ্ধত জয় লাভ কৰিছিল যদিও লাখ লাখ মানুহৰ মৃতদেহ দেখা পাই মৰ্মাহত হৈছিল। পিছলৈ তেওঁ বৌদ্ধধৰ্মত দীক্ষিত হৈ মানৱ সেৱাত নিজকে নিয়োজিত কৰিছিল। তেওঁ নিজৰ জীয়েক সংঘমিত্ৰাক বৌদ্ধ ধৰ্ম প্ৰচাৰৰ বাবে সিংহললৈ পঠিয়াইছিল।

পতঙ্গ মানে পৰুৱা। পতঙ্গৰ পাখি আছে। ইহঁতে উৰিব পাৰে। ফৰিঙো এবিধ পতঙ্গ। ই জপিয়াবও পাৰে। কিছুমান পতঙ্গই শস্যৰ যথেষ্ট ক্ষতি কৰে।

দাৰ্শনিকসকলে আমাৰ পৃথিৱীখনক এখন ৰঙ্গমঞ্চ আৰু ইয়াত জন্ম গ্ৰহণ কৰা প্ৰতিজন মানুহক ভাৱৰীয়া বুলি কয়।

আমি সদায় ভাল সঙ্গত থাকিব লাগে। ভাল সঙ্গই আমাক ভাল হ'বলৈ উদ্বুদ্ধ কৰে।

কমলেশ্বৰ এজন ভাল ল'ৰা। তেওঁ অঙ্কত চোকা। আমাৰ শিক্ষক-শিক্ষয়িত্ৰীয়ে তেওঁক যথেষ্ট মৰম কৰে।

পঙ্ক মানে বোকা। পদুম ফুল বোকাত জন্মে। সেয়ে ইয়াক পঙ্কজ বুলিও কোৱা হয়। পদুম ফুল ভাৰতৰ জাতীয় ফুল।

শ্ৰীলঙ্কা ভাৰতৰ দক্ষিণত। ই ভাৰত মহাসাগৰত অৱস্থিত। এসময়ত তাত ৰাৱণ নামেৰে এজন ৰজাই ৰাজত্ব কৰিছিল। তেওঁ ৰামচন্দ্ৰৰ পত্নী সীতাদেৱীক হৰণ কৰি লঙ্কালৈ লৈ গৈছিল। পিছত ৰামে যুদ্ধ কৰি ৰাৱণক হত্যা কৰি সীতাক উদ্ধাৰ কৰিছিল।

## অনুশীলনী

## ক. ভাষা সম্পৰ্কীয় ঃ

### ব্যাকৰণঃ

আগত শিকি আহিছা যে বিশেষ্য (সংজ্ঞা) পদৰ পাছত 'বোৰ' যোগ দি এক বচনৰ পৰা বহু বচন কৰা হয়। কিন্তু মান্য অৰ্থত আৰু অপ্ৰাণী বাচক বিশেষ্য পদৰ লগত 'বিলাক' যোগ দি একবচনৰ পৰা বহু বচন কৰা হয়। যেনে ঃ

মানুহবিলাক গোট খাইছে।
গছবিলাক লঠঙা হৈ পৰিছে।
ঘৰবিলাক পুৰণি হৈছে।

### শব্দ অৰ্থ ঃ

**মৰ্মাহত** ঃ মনত অতিপাত দুখ পোৱা।

**দীক্ষিত হোৱা** ঃ শৰণ লোৱা (কোনো ধৰ্ম গুৰুৰ ওচৰত মন্ত্ৰ মাতি ধৰ্মীয় নীতিমতে জীৱন-যাপনৰ সংকল্প লোৱা)।

**দাৰ্শনিক** ঃ সৃষ্টিজগতৰ বিভিন্ন ৰহস্য উদ্‌ঘাটন কৰিবলৈ চিন্তা-চৰ্চা কৰা লোক।

**ৰঙ্গমঞ্চ** ঃ নাটক বা যিকোনো কলা অভিনয় কৰা মঞ্চ।

**সঙ্গ** ঃ লগৰীয়া, সংস্পৰ্শ।

**উদ্বুদ্ধ কৰা** ঃ অনুপ্ৰাণিত কৰা।

**চোকা** ঃ তীক্ষ্ণ।

**হৰণ কৰা** ঃ ছল-বল কৰি লৈ যোৱা, পলুৱাই লৈ যোৱা।

### বিপৰীতাৰ্থক শব্দঃ

মৰ্মাহত ঃ আনন্দিত।

চোকা ঃ ভোতা।

ভাল ঃ বেয়া।

পৰাজয় ঃ জয়।

## খ. বিষয়বস্তু সম্পৰ্কীয় ঃ

১। খালী ঠাই পূৰণ কৰা।

(ক) গঙ্গা নদীক হিন্দুসকলে ..................... বুলি গণ্য কৰে।

(খ) ..................... দিনত কলিঙ্গ যুদ্ধ হৈছিল।

(গ) পতঙ্গ মানে ....................।

(ঘ) আমি সদায় ভাল .................ত থাকিব লাগে।

(ঙ) পঙ্ক মানে .....................।

২। উত্তৰ দিয়া।

(ক) অশোকে কিয় বৌদ্ধধৰ্মত দীক্ষা গ্ৰহণ কৰিছিল?

(খ) অশোকে ধৰ্ম প্ৰচাৰৰ বাবে কাক সিংহললৈ পঠিয়াইছিল?

(গ) দাৰ্শনিকসকলে আমাৰ পৃথিৱীখনক কি বুলি কয়?

(ঘ) পদুম ফুলক কিয় পঙ্কজ বুলি কোৱা হয়?

(ঙ) সীতাক কোনে হৰণ কৰিছিল?

৬। তলত দিয়া শব্দ ব্যৱহাৰ কৰি একো একোটা বাক্য সাজাঁ।

যুদ্ধ    মৰ্মাহত    ৰঙ্গমঞ্চ    চোকা    পঙ্কজ

৭। তিনি শাৰী হাতৰ আখৰ লিখা।

# পদুম ফুল ভাৰতৰ জাতীয় ফুল।

## গ . প্ৰকল্প

তুমি সাধাৰণতে দেখা পাঁচবিধ গোন্ধথকা ফুল আৰু পাঁচবিধ গোন্ধ নথকা ফুলৰ নামৰ তালিকা প্ৰস্তুত কৰা।

o o o

# পাঠ ঃ চাৰি

# ঈশ্বৰ

নিচিনো তোমাক            ক'ত আছা প্ৰভু
        আমি অতি সৰু ল'ৰা,
চিঞৰি চিঞৰি            মাতিলে তোমাক
        নেমাতা দূৰৈৰ পৰা।
নাজানো তোমাক            মিনতি কৰিব
        আমি অতি সৰু ল'ৰা,
আছানেকি প্ৰভু            সৰগত তুমি
        হই জোন-বেলি-তৰাঙ্গ
নুবুজোঁ তোমাৰ            মৰমৰ মাত
        আমি অতি সৰু ল'ৰা,
ৰিণিকি ৰিণিকি            সুৰ এটি আহে
        জানো ক'ৰবাৰ পৰা।
তথাপি তোমাক            ভাল পাওঁ প্ৰভু
        আমি অতি সৰু ল'ৰা।
তোমাৰ হেঁপাহ            দয়াৰে আমাৰ
        বুকুখনি থাকে ভৰা,
নোৱাৰোঁ বুজিব            তোমাৰ মহিমা
        আমি অতি সৰু ল'ৰা,
বিলোৱা হিয়াত            মৰম জেউতি
        নিতে আঁতৰৰ পৰা।

*---- ৰঘুনাথ চৌধুৰী*

# অনুশীলনী

## ক. ভাষা সম্পৰ্কীয় ঃ

### শব্দ অৰ্থ ঃ

| | |
|---|---|
| **প্ৰভু** | ঃ ঈশ্বৰ (সৃষ্টিকৰ্তা)। |
| **মিনতি** | ঃ প্ৰাৰ্থনা। |
| **সৰগ** | ঃ স্বৰ্গ, বেহেস্ত। |
| **ৰিণিকি ৰিণিকি** | ঃ অতি দূৰৰ পৰা ভাঁহি অহা সুৰ। |
| **মহিমা** | ঃ গৌৰৱ, শক্তি। |
| **অমৰ** | ঃ অমৰণশীল (যাৰ মৃত্যু নাই)। |

## খ. বিষয়বস্তু সম্পৰ্কীয় ঃ

১। কবিতাটি মনত ৰাখা।

২। কবিতাটিৰ মূল কথাখিনি নিজৰ ভাষাত কোৱা আৰু লিখা।

৩। খালী ঠাই পূৰণ কৰা ঃ

নিচিনো তোমাক ..........................
আমি অতি সৰু ল'ৰা,
........................ মাতিলে তোমাক
নেমাতা দূৰৈৰ পৰা।
নাজানো তোমাক ........................
আমি অতি সৰু ল'ৰা,
............................ সৰগত তুমি
................................ !

৩। উত্তৰ দিয়া।

(ক) চিঞৰি চিঞৰি মাতিলে প্ৰভুয়ে মাত দিয়েনে?

(খ) প্ৰভু ক'ত, কি হৈ থকা বুলি কবিয়ে ভাবিছে?

(গ) কবিয়ে প্ৰভুক ভাল পায়নে?

(ঘ) কবিয়ে প্ৰভুৰ মহিমা বুজি পায়নে?

(ঙ) প্ৰভুয়ে কবিৰ হিয়াত কি বিলোৱাৰ কথা কৈছে?

৪। তলত দিয়া শব্দ ব্যৱহাৰ কৰি একো একোটা বাক্য সাজাঁ।

প্ৰভু    চিঞৰি-চিঞৰি    ৰিণিকি-ৰিণিকি    মহিমা    অমৰ

৫। পঢ়া, বুজা আৰু লিখা। (এটি তোমাৰ বাবে কৰি দিয়া হৈছে)

| | | |
|---|---|---|
| (ক) দুষ্ট | ঃ | দুষ্টালি |
| (খ) ল'ৰা | ঃ | .............. |
| (গ) বেজ | ঃ | .............. |
| (ঘ) তৰা | ঃ | .............. |
| (ঙ) খৰ | ঃ | ............... |

০ ০ ০

## গোট-২

### পাঠ ঃ পাঁচ

# বিভিন্ন বৰ্ণৰ লগত 'শ' যোগ

শ + ব = শ্ব (*শয় বয় শ্ব*) *যেনে ঃ বিশ্ব, অশ্ব, ঈশ্বৰ, নশ্বৰ*
শ + চ = শ্চ (*শয় চয় শ্চ*) *যেনে ঃ পশ্চিম*
শ + ছ = শ্ছ (*শয় ছয় শ্ছ*) *যেনে ঃ শিৰশ্ছেদ*

বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিকৰ্তাজনক ঈশ্বৰ বোলে। ঈশ্বৰ একক আৰু অদ্বিতীয়। তেওঁ বিশাল বিশ্বব্ৰহ্মাণ্ডত থকা সকলোবোৰ বস্তু সৃষ্টি কৰিছে। সকলো বস্তুৱেই তেওঁৰ ওপৰত নিৰ্ভৰশীল। কিন্তু তেওঁ কাৰো ওপৰত নিৰ্ভৰশীল নহয়।

অশ্ব মানে ঘোঁৰা। প্ৰাচীন কালত অশ্ব যাতায়তৰ বাহন হিচাপে বহুলভাৱে ব্যৱহৃত হৈছিল। প্ৰাচীন কালত ভাৰতবৰ্ষত অশ্ব আৰু হাতী যুদ্ধক্ষেত্ৰতো ব্যৱহাৰ কৰা হৈছিল।

নিঃস্ব মানে দুখীয়া। আমি নিঃস্বজনক সহায় কৰিব লাগে। নিঃস্বজনক সহায় কৰাটো মহানুভৱতাৰ পৰিচায়ক। মাদাৰ টেৰেছাই নিঃস্বসকলৰ সেৱাত জীৱন উছৰ্গা কৰিছিল।

নশ্বৰ মানে মৰণশীল। মানৱ জীৱনটো নশ্বৰ। নশ্বৰ জীৱনত আমি অহংকাৰ কৰিব নালাগে। অহংকাৰে মানুহৰ সদ্‌গুণ ধ্বংস কৰে।

সূৰ্য হ'ল এটি নক্ষত্ৰ। সূৰ্যৰ পৰা আমি তাপ আৰু পোহৰ পাওঁ। সূৰ্য পূৱপিনে উদয় হয় আৰু পশ্চিমপিনে মাৰ যায়।

যুদ্ধ সদায় ধ্বংসলীলাৰ পৰিচায়ক। আগৰ যুগত মানুহে ধনু-কাঁড়. যাঠি, তৰোৱাল,বৰ্শা আদিৰে যুদ্ধ কৰিছিল। যুদ্ধবন্দীসকলক শিৰশ্চেদ কৰা হৈছিল।

## অনুশীলনী

## ক. ভাষা সম্পৰ্কীয় ঃ

### ব্যাকৰণঃ

তলত দিয়া বাক্যটো মন কৰা।

যুদ্ধবন্দীসকলক শিৰশ্চেদ কৰা হৈছিল।

ওপৰৰ বাক্যটিৰ 'যুদ্ধবন্দী' শব্দৰ লগত 'সকল' যোগ কৰি বহুবচন কৰা হৈছে। এনেদৰে মানুহ বুজোৱা পদৰ লগত 'সকল' যোগ কৰি এক বচনৰ পৰা বহু বচন কৰা হয়। এতিয়া তলত দিয়া শব্দবোৰৰ লগত 'সকল' যোগ কৰি বহু বচন কৰা ঃ

| এক বচন | বহুবচন |
|---|---|
| নেতা | ঃ ......................... |
| ছাত্ৰ | ঃ ......................... |
| তেখেত | ঃ ......................... |
| শিক্ষক | ঃ ......................... |
| দালাল | ঃ ......................... |

### শব্দ অৰ্থ ঃ

**অদ্বিতীয়** ঃ একমাত্ৰ (যাৰ কোনো দ্বিতীয় নাই)।

**অশ্ব** ঃ ঘোঁৰা।

| | |
|---|---|
| **নিঃস্ব** | ঃ দুখীয়া (যাৰ একোৱে নাই)। |
| **উছৰ্গা** | ঃ নিঃস্বাৰ্থে দান কৰা। |
| **নশ্বৰ** | ঃ মৰণশীল। |
| **উদ্বুদ্ধ কৰা** | ঃ অনুপ্ৰাণিত কৰা। |
| **শিৰশ্ছেদ** | ঃ ডিঙি কাটি মৃত্যুদণ্ড দিয়া। |

## বিপৰীতাৰ্থক শব্দঃ

| | |
|---|---|
| নিঃস্ব | ঃ চহকী। |
| নশ্বৰ | ঃ অবিনশ্বৰ। |
| পূৱ | ঃ পশ্চিম। |
| অহংকাৰ | ঃ বিনীত, নিৰহঙ্কাৰ। |
| পোহৰ | ঃ এন্ধাৰ। |

# খ. বিষয়বস্তু সম্পৰ্কীয় ঃ

১। খালী ঠাই পূৰণ কৰা।

(ক) বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিকৰ্তাজনক ........................ বোলে।

(খ) ঈশ্বৰ .................... আৰু ....................... ।

(গ) অশ্ব মানে .................... ।

(ঘ) আমি ................. সহায় কৰিব লাগে।

(ঙ) মাদাৰ টেৰেছাই নিঃস্বসকলৰ সেৱাত জীৱন ........................... কৰিছিল।

২। উত্তৰ দিয়া।

(ক) ঈশ্বৰ কাৰো ওপৰত নিৰ্ভৰশীল হয় নে?

(খ) প্ৰাচীন কালত যুদ্ধত কি কি জন্তু ব্যৱহাৰ কৰা হৈছিল?

(গ) আমি কেনেদৰে মহানুভৱতাৰ পৰিচয় দিব পাৰোঁ?

(ঘ) অহংকাৰে কি কৰে?

(ঙ) আগৰ যুগত মানুহে কি কি অস্ত্ৰৰে যুদ্ধ কৰিছিল?

৩। তলত দিয়া শব্দ ব্যৱহাৰ কৰি একো একোটা বাক্য সাজাঁ।

অশ্ব    নিঃস্ব    ঈশ্বৰ    যুদ্ধ    পশ্চিম

৭। তিনি শাৰী হাতৰ আখৰ লিখা।

# নিঃস্বসকলক সহায় কৰিব লাগে।

## গ. প্ৰকল্প

বৰ্তমান সময়ত যাতায়তৰ বাবে কি কি বাহন ব্যৱহাৰ কৰা হয়। তুমি সাধাৰণতে দেখা পোৱা দুই চকীয়া আৰু চাৰিচকীয়া বাহনবোৰৰ এখন তালিকা প্ৰস্তুত কৰা।

০ ০ ০

# পাঠ ঃ ছয়

# মাদাৰ টেৰেছা



মাদাৰ টেৰেছাৰ নাম নুশুনা শিক্ষিত মানুহ সম্ভৱতঃ নাই আৰু যদি কেনোবা আছে তেন্তে তেওঁ নিশ্চয় দুৰ্ভগীয়া। মাদাৰ টেৰেছা আছিল বিশ্ববৰেণ্য মানৱতাবাদী কৰ্মী, দয়া, কৰুণা আৰু ত্যাগৰ এক জলন্ত প্ৰতিমূৰ্তি। নিঃকিন, দীন-দৰিদ্ৰ, ৰোগী, পতিত আৰু গৃহহীন লোকসকলৰ সেৱা আৰু কল্যাণ সাধন কৰাই আছিল তেখেতৰ জীৱনৰ ব্ৰত।

মাদাৰ টেৰেছাই ইংৰাজী ১৯১০ চনৰ আগষ্ট মাহৰ ২৭ তাৰিখে ইউৰোপৰ যুগোশ্লাভিয়াত জন্ম গ্ৰহণ কৰে। তাইৰ দেউতাকৰ নাম আছিল নিকোলাচ আৰু মাকৰ নাম আছিল মিচেচ ড্ৰানা। সৰুতে মাদাৰ টেৰেছাক পিতৃ-মাতৃয়ে এগ্‌নেছ নামেৰে মাতিছিল।

মাদাৰ টেৰেছাই পাঁচ বছৰ বয়সত স্থানীয় বিদ্যালয়ত নাম ভৰ্তি কৰে। সাত বছৰ বয়সত তেখেতৰদেউতাকৰ মৃত্যু হয়। ফলত পৰিয়ালটি আৰ্থিক সংকটত পৰে। মাকৰ তত্বাৱধানত তাই হাই স্কুলীয়া শিক্ষা সাং কৰি আনুষ্ঠানিক শিক্ষাৰ সামৰণি মাৰে।

মাদাৰ টেৰেছা এজনী কোমল হৃদয়া ছোৱালী আছিল। মানুহৰ দুখ, কষ্টৰ প্ৰতি তেখেত অতিকৈ সংবেদনশীল আছিল। সেয়ে তেওঁ মানৱ সেৱাত নিজকে নিয়োজিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰি খ্ৰীষ্টান মিছনেৰী সংগঠন এটিত যোগ দি ভাৰতলৈ আহে।

এগ্‌নেছে ১৯২৮ চনত ভাৰতবৰ্ষলৈ আহি দাৰ্জিলিঙ চহৰত 'লৰেটো' সংগঠনৰ এখন বিদ্যালয়ত শিক্ষাদান কৰিবলৈ লয়। সেই সময়ত এগ্‌নেছে 'টেৰেছা' নাম গ্ৰহণ কৰে। তাৰ পিছত তেখেত কলকাতাৰ 'চেন্ট মেৰীজ স্কুল'ত সহকাৰী শিক্ষয়িত্ৰী হিচাপে যোগদান কৰে যদিও পিছলৈ টেৰেছাই দৰিদ্ৰ ল'ৰা-ছোৱালীসকলৰ বাবে 'মিছনেৰী অফ চেৰিটি' নামৰ এক সংস্থাৰ জন্ম দি দৰিদ্ৰ জনগণৰ সেৱাত মনোনিবেশ কৰে। ইয়াৰ পিছত তেখেতে 'নিৰ্মল শিশু ভৱন' আৰু 'নিৰ্মল হৃদয়' নামৰ শুশ্ৰূষাগৃহ স্থাপন কৰে।

টেৰেছাই তেখেতৰ মিছনেৰী অফ চেৰিটিৰ অধীনত পৃথিৱীৰ বিভিন্ন দেশত যাঠিখন বিদ্যালয় আৰু দুই শতাধিক চিকিৎসালয় স্থাপন কৰে আৰু এইবোৰ অনুষ্ঠানৰ যোগেদি গোটেই জীৱন নিঃস্ব আৰু দৰিদ্ৰ জনগণৰ সেৱা কৰি ১৯৯৭ চনৰ ৫ চেপ্তেম্বৰৰ দিনা পৰলোকগামী হয়।

মাদাৰ টেৰেছাই মানৱ সেৱাৰ স্বীকৃতি হিচাপে বহুত ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক সন্মান আৰু পুৰস্কাৰেৰে ভূষিত হয়। তাৰ ভিতৰত ১৯৭৯ চনত শান্তিৰ 'ন'বেল বঁটা', ভাৰত চৰকাৰৰ পৰা 'পদ্মশ্ৰী', 'ভাৰতৰত্ন' আদি উপাধি লাভ কৰাৰ উপৰিও 'জৱাহৰলাল নেহৰু এৱাৰ্ড', 'ৰাজীৱ গান্ধী সম্ভাৱনা বঁটা', 'মেঘেছেছে বঁটা' আদি নানান বঁটা লাভ কৰে। তাই নিজে নিচেই সাধাৰণ আৰু সৰল জীৱন যাপন কৰি পুৰস্কাৰ হিচাপে পোৱা সকলো ধন দৰিদ্ৰ জনগণৰ কল্যাণৰ বাবে খৰচ কৰিছিল। তেখেতে কৈছিল, "দীন-দুখীয়া ল'ৰা-ছোৱালীহঁতেই হৈছে মোৰ আই আৰু বোপাই।"

মাদাৰ টেৰেছাই মানৱ সেৱাত নিজকে ইমানেই একানপতীয়াকৈ নিয়োজিত কৰিছিল যে তাই বৈবাহিক বান্ধোনৰ কথা পাহৰি গোটেই জীৱন অবিবাহিত হৈয়ে কটাইছিল। চিৰকুমাৰী থাকিও তাই নিঃস্ব আৰু দৰিদ্ৰ জনসাধাৰণৰ বিশ্বমাতৃ হিচাপে সকলোৰে পৰা শ্ৰদ্ধা লাভ কৰিছিল। আমি তেখেতৰ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হোৱা উচিত।

# অনুশীলনী

## ক. ভাষা সম্পৰ্কীয় ঃ

### ব্যাকৰণঃ

তলত দিয়া বাক্যটো মন কৰা।

দীন-দুখীয়া ল'ৰা-ছোৱালীহঁতেই মোৰ আই আৰু বোপাই।

ওপৰৰ বাক্যটিৰ 'ল'ৰা-ছোৱালী' শব্দৰ লগত 'হঁত' যোগ হৈ বহুবচন হৈছে। এনেদৰে মানুহৰ লগত মানুহৰ সম্বন্ধ বুজোৱা পদৰ লগত 'হঁত' যোগ কৰি এক বচনৰ পৰা বহু বচন কৰা হয়। এতিয়া তলত দিয়া শব্দবোৰৰ লগত 'হঁত' যোগ কৰি বহু বচন কৰা ঃ

| **এক বচন** | **বহুবচন** |
|---|---|
| ককাইদেউ | ঃ .......................... |
| মোমাইদেউ | ঃ .......................... |
| বাইদেউ | ঃ .......................... |
| পেহী | ঃ .......................... |
| দেউতা | ঃ .......................... |
| ল'ৰা | ঃ .......................... |

### শব্দ অৰ্থ ঃ

| | |
|---|---|
| **কৰুণা** | ঃ দয়া। |
| **ত্যাগ** | ঃ অধিকাৰ উপভোগৰ পৰা স্বেচ্ছাই নিজকে বঞ্চিত কৰা। |
| **একাণপতীয়াকৈ** | ঃ একান্তমনে একে কামতে লাগি থকা। |
| **ব্ৰত** | ঃ প্ৰধান উদ্দেশ্য, সংকল্প। |
| **চিৰকুমাৰী** | ঃ আজীৱন অবিবাহিত হৈ থকা। |

### বিপৰীতাৰ্থক শব্দঃ

| | |
|---|---|
| গ্ৰহণ | ঃ বৰ্জন |
| সামৰণি | ঃ আৰম্ভণি। |

কোমল ঃ কঠিন।
যোগ ঃ বিয়োগ।

## খ. বিষয়বস্তু সম্পৰ্কীয় ঃ

১। শুদ্ধ নে অশুদ্ধ কোঁৱা ঃ

(ক) মাদাৰ টেৰেছাৰ নাম নুশুনা মানুহ নিশ্চয় দুৰ্ভগীয়া।
(খ) সৰুতে পিতৃ-মাতৃয়ে মাদাৰ টেৰেছাক মাদাৰ বুলি মাতিছিল।
(গ) মাদাৰ টেৰেছা অতি কঠোৰ হৃদয়া নাৰী আছিল।
(ঘ) মাদাৰ টেৰেছা ১৯২৮ চনত ভাৰতলৈ আহে।
(ঙ) মাদাৰ টেৰেছাই শান্তিৰ 'ন'বেল বঁটা' লাভ কৰিছিল।

২। উত্তৰ দিয়া।

(ক) মাদাৰ টেৰেছাৰ পিতৃ-মাতৃৰ নাম কি আছিল?
(খ) মাদাৰ টেৰেছাই জন্ম দিয়া সংস্থাটোৰ নাম কি ?
(গ) মাদাৰ টেৰেছাই স্থাপন কৰা দুখন শুশ্ৰূষাগৃহৰ নাম লিখা।
(ঘ) মাদাৰ টেৰেছাই কাক নিজৰ "আই আৰু বোপাই" বুলি কৈছিল?
(ঙ) মাদাৰ টেৰেছাই কেতিয়া পৰলোকগামী হৈছিল?

৩। মানৱ কল্যাণৰ হকে মাদাৰ টেৰেছাই কি কি কাম কৰিছিল চমুকৈ লিখা।

৪। তলত দিয়া শব্দ ব্যৱহাৰ কৰি একো একোটা বাক্য সাজাঁ।

কোমল স্বীকৃতি চিৰকুমাৰী আদৰ্শ স্থাপন

৫। তিনি শাৰী হাতৰ আখৰ লিখা।

# মানৱ সেৱাই পৰম ধৰ্ম।

০ ০ ০

# পাঠ ঃ সাত

# বিভিন্ন বৰ্ণৰ লগত 'ব' যোগ

ব+ দ = ব্দ (বয় দয় ব্দ) *যেনে ঃ অব্দ, শব্দ, শতাব্দী,*

ব+ জ = ব্জ (বয় জয় ব্জ) *যেনে ঃ অব্জ, কুব্জ।*

ব + ল = ব্ল (বয় লয় ব্ল) *যেনে ঃ ব্লু, ব্লিচিং*

ব + ব = ব্ব (বয় বয় ব্ব) *যেনে ঃ বুৰ্ব্বক, বুৰ্ব্বন,*

গ + ব = গ্ব (গয় বয় গ্ব) *যেনে ঃ দিগ্বিজয়, দিগ্বিদিগ্।*

দ + ব = দ্ব (দয় বয় দ্ব) *যেনে ঃ দ্বাৰ, দ্বাৰপাল, দ্বাৰকা, দ্বীপ,*

ধ + ব = ধ্ব (ধয় বয় ধ্ব) *যেনে ঃ ধ্বনি, ধ্বংস,*

হ + ব = হ্ব (হয় বয় হ্ব) *যেনে ঃ আহ্বান, প্ৰত্যাহ্বান*

জ + জ + ব = জ্জ্ব (জয় জয় বয় জ্জ্ব) *যেনে ঃ উজ্জ্বল, প্ৰোজ্জ্বল*

অব্দ মানে বছৰ। এশ অব্দত এক শতাব্দী হয়।

অব্জ মানে পদুম। কুব্জ মানে কুঁজা।

শীতকালত কুব্জটিকা পৰে। কুব্জটিকা মানে কুঁৱলী।

ব্লিচিং পাউডাৰ ব্যৱহাৰ কৰি পানী পৰিস্কাৰ কৰা হয়।

ফ্ৰান্সত বুৰ্ব্বন বংশৰ ৰজাসকলে বহু বছৰ ৰাজত্ব কৰিছিল। এই বংশৰ ৰজাসকল স্বেচ্ছাচাৰী আছিল।

নেপোলিয়ন বোনাপাৰ্ট এজন দিগ্বিজয়ী বীৰ আছিল। তেওঁ এজন সামান্য সৈনিকৰ পৰা ফ্ৰান্সৰ সম্ৰাট হৈছিল।

দ্বাৰ মানে দৰজা। দ্বাৰপাল মানে দুৱৰী। আগৰ যুগত ৰাজপ্ৰসাদত দ্বাৰপালে পহৰা দিছিল।

দ্বাৰকাত শ্ৰীকৃষ্ণৰ ৰাজধানী আছিল।

বিশ্বব্ৰহ্মাণ্ডৰ কোনো বস্তুৱেই স্থায়ী নহয়। সকলো বস্তুই এদিন নহয় এদিন ধ্বংস হ'ব।

দেশৰ আহ্বানত আমি সঁহাৰি জনাব লাগে। আমি সকলোৱে আমাৰ দেশৰ উজ্জ্বল ভৱিষ্যত কামনা কৰোঁ।

## অনুশীলনী

## ক. ভাষা সম্পৰ্কীয় ঃ

### ব্যাকৰণঃ

পাঠ দুইত শিকি আহিছা যে যৌগিক শব্দবোৰৰ মাজত থকা 'আৰু' উঠাই দি তাৰ পৰিৱৰ্তে হাইফেন (-) ব্যৱহাৰ কৰি সংক্ষেপকৈ লিখিব পাৰোঁ। যেনে ঃ

জীৱ আৰু জন্তু = জীৱ-জন্তু।

এতিয়া তলৰ যৌগিক শব্দবোৰ সংক্ষেপকৈ লিখা ঃ

মা আৰু দেউতা = ................................।

ভাই আৰু ভনী = ................................।

খুড়া আৰু খুড়ী = ................................।

পেহা আৰু পেহী = ................................।

ঘৰ আৰু দুৱাৰ = ................................।

মেজ আৰু চকী = ................................।

দিন আৰু ৰাতি = ................................।

ক'লা আৰু বগা = ................................।

### শব্দ অৰ্থ ঃ

**অব্দ** ঃ বছৰ।

**অব্জ** ঃ পদুম।

**কুব্জ** ঃ কুঁজা।

**কুব্জটিকা** ঃ কুঁৱলী।

**স্বেচ্ছাচাৰী** ঃ কোনো নীতি-নিয়মক গুৰুত্ব নিদি নিজৰ ইচ্ছামতে চলা।

**দিগ্বিজয়ী** ঃ বহু যুদ্ধত জয়ী।

**দ্বাৰ** ঃ দৰজা।

**দ্বৰপাল** ঃ দুৱৰী।

## বিপৰীতাৰ্থক শব্দঃ

শীতকাল ঃ জহকাল।

পৰিস্কাৰ ঃ লেতেৰা।

সামান্য ঃ অসামান্য।

স্থায়ী ঃ অস্থায়ী।

উজ্জ্বল ঃ অনুজ্জ্বল, অন্ধকাৰ।

# খ. বিষয়বস্তু সম্পৰ্কীয় ঃ

১। শুদ্ধ নে অশুদ্ধ কোৱা।

(ক) অব্দ মানে বছৰ।

(খ) কুব্জ মানে পোন।

(গ) মথুৰাত শ্ৰীকৃষ্ণৰ ৰাজধানী আছিল।

(ঘ) দ্বাৰপাল মানে দুৱৰী।

(ঙ) দেশৰ আহ্বানত আমি সহাঁৰি জনাব নালাগে।

২। উত্তৰ দিয়া।

(ক) কিমান অব্দত এক শতাব্দী হয়?

(খ) কি ব্যৱহাৰ কৰি আমি পানী পৰিস্কাৰ কৰিব পাৰি?

(গ) নেপোলিয়ন বোনাপাৰ্ট কোন আছিল?

(ঘ) শ্ৰীকৃষ্ণৰ ৰাজধানী ক'ত আছিল?

(ঙ) দেশৰ আহ্বানত আমি কি কৰিব লাগে?

৬। তলত দিয়া শব্দ ব্যৱহাৰ কৰি একো একোটা বাক্য সাজাঁ।

শতাব্দী কুজ্ঝ দ্বাৰপাল ধ্বংস উজ্জ্বল

৭। তিনি শাৰী হাতৰ আখৰ লিখা।

# কুজ্ঝটিকা মানে কুঁৱলী।

## গ. কাৰ্য-কলাপ ঃ

সাঁথৰ ভাঙা ঃ

পাখি আছে মোৰ
উৰিব নোৱাৰোঁ ,
আখি আছে মোৰ
মুদিব নোৱাৰোঁ ।
ভৰি নাই যদিও ফুৰিছোঁ ঘূৰি,
জীৱন কটাওঁ পানীত সাঁতুৰি।
কোৱাচোন ভাবি মইনো কি?

০ ০ ০

# পাঠ ঃ আঠ

## জয়

যেতিয়া আমি ডাঙৰ হ'ম
করিম দেশৰ কাম,
দেশ-বিদেশৰ কথা শিকিম
ৰাখিম দেশৰ মান।
দেশৰ হকে প্ৰাণ বলি দিম
ধৰমৰ জয় গাম,
সত্য পথৰ সপোন পুৰীত
সৰগ দেখা পাম।
বিভু আমাৰ পথৰ সহায়
মনত কিহৰ ভয়,
ভুৱন জিনি ৰিঙিয়াই গাম
জয় অসমৰ জয়,
জয় ভাৰতৰ জয়।

*--- এম, ইব্ৰাহিম আলি*

**বিঃ দ্ৰঃ** কবিতাটি নৰকান্ত বৰুৱাই সম্পাদনা কৰা 'মৰুৱা ফুল' নামৰ কাব্য সংকলনখনৰ পৰা সংগ্ৰহ কৰা হৈছে।

# অনুশীলনী

## ক. ভাষা সম্পৰ্কীয় ঃ

### শব্দ অৰ্থ ঃ

| | |
|---|---|
| মান | ঃ সন্মান। |
| ধৰম | ঃ ধৰ্ম |
| সৰগ | ঃ স্বৰ্গ, বেহেস্ত। |
| সপোন পুৰী | ঃ সপোনৰ ৰাজ্য (সুখ -শান্তিৰে ভৰা দেশ)। |
| বিভু | ঃ প্ৰভু, ঈশ্বৰ। |
| ভূৱন | ঃ পৃথিৱী। |

## খ. বিষয়বস্তু সম্পৰ্কীয় ঃ

১। কবিতাটি মনত ৰাখা।

২। কবিতাটিৰ মূল কথাখিনি নিজৰ ভাষাত কোৱা আৰু লিখা।

৩। খালী ঠাই পূৰণ কৰা ঃ

আমি যেতিয়া ..........................
কৰিম দেশৰ কাম,
........................ কথা শিকিম
ৰাখিম দেশৰ মান।
দেশৰ হকে ........................
ধৰমৰ জয় গাম,
........................... সপোন পুৰীত
.সৰগ দেখা পাম।

৩। উত্তৰ দিয়া।

(ক) ‘জয়‘ কবিতাটিৰ কবি কোন?

(খ) কবিয়ে ডাঙৰ হৈ কি কৰিব?

(গ) কবিয়ে ক’ত সৰগ দেখা পাব বুলি কৈছে?

(ঘ) কবিৰ মনত কিয় ভয় নাই?

(ঙ) বিশ্ব জয় কৰি কবিয়ে ৰিঙিয়াই কি গাব?

৪। তলত দিয়া শব্দ ব্যৱহাৰ কৰি একো একোটা বাক্য সাজাঁ।

দেশ-বিদেশ    প্ৰাণ    ভূৱন    সপোন    জয়

৫। পঢ়া, বুজা আৰু লিখা। (এটি তোমাৰ বাবে কৰি দিয়া হৈছে)

(ক) নগৰ ঃ নগৰীয়া

(খ) চহৰ ঃ ..............

(গ) গাওঁ ঃ ..............

(ঘ) দেওবাৰ ঃ ..............

(ঙ) বাট ঃ ...............

০ ০ ০

## গোট-৩

### পাঠ ঃ ন

# বিভিন্ন বৰ্ণৰ লগত 'ল'যোগ

| | | | |
|---|---|---|---|
| ল + প = ল্প | *(লয় পয় ল্প)* | *যেনে ঃ কল্প, কল্পনা, অল্প, শিল্প, গল্প* |
| ল + ম = ল্ম | *(লয় ময় ল্ম)* | *যেনে ঃ গুল্ম, কল্মৌ, বাল্মীকি* |
| ল + গ = ল্গ | *(লয় গয় ল্গ)* | *যেনে ঃ ভল্গা, বল্গা* |
| ল + ট = ল্ট | *(লয় টয় ল্ট)* | *যেনে ঃ বাল্টি, পাল্টা, মাল্টা* |
| ক + ল = ক্ল | *(কয় লয় ক্ল)* | *যেনে ঃ ক্লান্ত, ক্লেশ, শুক্লপক্ষ, শুক্লধ্বজ, ক্লীৱ* |
| ফ + ল = ফ্ল | *( ফয় লয় ফ্ল)* | *যেনে ঃ ফ্লাস্ক, ফ্লেগ, ফ্লোৰেন্স* |
| প + ল = প্ল | *(পয় লয় প্ল)* | *যেনে ঃ প্লেগ, বিপ্লৱ, প্লাৱন* |

চাৰ আৰ্থাৰ কেনন ডয়েল এজন বিখ্যাত কল্প বিজ্ঞান গল্পকাৰ।
কল্পনা সকলো শিল্পৰ কেঁচা সামগ্ৰী।
জ্ঞানীলোকে কয় অল্প বিদ্যা ভয়ঙ্কৰী।
গুল্ম মানে সৰু সৰু জোপোহা গছ। কল্মৌ এবিধ লতা।

ৰামায়ণ এখন পৃথিৱী বিখ্যাত সংস্কৃত মহাকাব্য।বাল্মীকি মুনিয়ে ৰামায়ণ ৰচনা কৰিছিল। ৰামায়ণত ৰামৰ কীৰ্তি-কাহিনী বৰ্ণনা কৰা হৈছে।
ভল্গা এটি নদীৰ নাম। বল্গা এবিধ হৰিণ। ই চিৰ তুষাৰ অঞ্চলত বাস কৰে।

পাল্টা মানে বিপৰীত। মাল্টা এটি দ্বীপৰ নাম।

অমাৱস্যাৰ পিছৰ পৰা পূৰ্ণিমালৈ এই পোন্ধৰ দিনক শুক্লপক্ষ বোলে। চিলাৰায়ৰ আন এটি নাম আছিল শুক্লধ্বজ। তেওঁ কোচ ৰজা মহাৰাজ নৰনাৰায়ণৰ ভাতৃ আছিল। তেওঁ যুদ্ধবিদ্যাত অতি পাৰ্গত আছিল।

ফ্লোৰেন্স ইটালিৰ এটি চহৰৰ নাম। প্লেগ এবিধ মহামাৰী। প্লাৱন মানে বানপানী। বৰ্ষা ঋতুত অসমত বানপানী হয়।

ফৰাচী বিপ্লৱ পৃথিৱীৰ ইতিহাসত এক উল্লেখযোগ্য বিপ্লৱ। এই বিপ্লৱে পৃথিৱীত গণতন্ত্ৰৰ বাট মুকলি কৰে। স্বাধীনতা, সমতা আৰু ভাতৃত্ববোধ এই বিপ্লৱৰ মূলমন্ত্ৰ আছিল।

গ্লানি মানে দুৰ্নাম। আমি গ্লানিৰ পৰা হাত সাৰি থাকিব লাগে। গ্লাচক স্ফটিক বুলি কোৱা হয়।

## অনুশীলনী

## ক. ভাষা সম্পৰ্কীয় ঃ

### ব্যাকৰণঃ

তোমালোকে আগতে শিকি আহিছা যে বিশেষ্য পদৰ সলনি যি পদ ব্যৱহাৰ কৰা হয়, তকে সৰ্বনাম বোলে। বিশেষ্য পদৰ দৰে সৰ্বনামৰো একবচন আৰু বহুবচন ৰূপ আছে। যেনে —

| একবচন | বহুবচন |
|---|---|
| মই | আমি |
| তুমি | তোমালোক |
| তেওঁ / তাই / সি | সিহঁত |
| তেখেত | তেখেতসকল |

## শব্দ অৰ্থ ঃ

**কল্পনা** ঃ কোনো বিষয় বা বস্তু সম্পৰ্কে মনত উদয় হোৱা ধাৰণা, উদ্ভাৱনী শক্তি।

**সামগ্ৰী** ঃ বস্তু।

**শিল্প** ঃ নিপুণতাৰে কৰা হাতৰ কাম, কাৰিকৰী কাম।

**অল্প** ঃ কম পৰিমাণ।

**লতা** ঃ বগুৱা বাই যোৱা গছ।

**পাৰ্গত** ঃ নিপুণ।

## বিপৰীতাৰ্থক শব্দঃ

বিখ্যাত ঃ অখ্যাত।

শুক্লপক্ষ ঃ কৃষ্ণপক্ষ।

ভ্ৰাতৃ ঃ ভগ্নী।

গণতন্ত্ৰ ঃ ৰাজতন্ত্ৰ।

দুৰ্নাম ঃ সুনাম।

# খ. বিষয়বস্তু সম্পৰ্কীয় ঃ

১। খালী ঠাই পূৰণ কৰা।

(ক) ................. সকলো শিল্পৰ কেঁচা সামগ্ৰী।

(খ) .................. বিদ্যা ভয়ঙ্কৰী।

(গ) বল্লা এবিধ .................. ।

(ঘ) চিলাৰায়ৰ আন এটি নাম আছিল ...................... ।

(ঙ) ফৰাচী বিপ্লৱে পৃথিৱীত ........................ বাট মুকলি কৰে।

২। উত্তৰ দিয়া।

(ক) ৰামায়ণ কোনে ৰচনা কৰিছিল?

(খ) শুক্লপক্ষ কাক বোলে?

(গ) চিলাৰায় কোন আছিল?

(ঘ) ফ্লোৰেন্স চহৰ কোন দেশত?

(ঙ) ফৰাচী বিপ্লৱৰ মূলমন্ত্ৰ কি আছিল?

৩। ৰামায়ণৰ বিষয়ে চাৰিটামান বাক্য লিখা।

৪। তলত দিয়া শব্দ ব্যৱহাৰ কৰি একো একোটা বাক্য সাজাঁ।

মহামাৰী গণতন্ত্ৰ বিপ্লৱ বানপানী গ্লানি

৫। তিনি শাৰী হাতৰ আখৰ লিখা।

# বৰ্ষা ঋতুত অসমত বানপানী হয়।

## গ. কাৰ্য-কলাপ ঃ

বানপানীৰ সময়ত মানুহে কি কি অসুবিধাৰ সন্মুখীন হয়। তোমাৰ সহপাঠীসকলৰ লগত আলোচনা কৰা।

০ ০ ০

# পাঠ ঃ দহ

# তাজমহল



তাজমহলৰ নাম নুশুনা শিক্ষিত মানুহ সম্ভৱতঃ পৃথিৱীত নাই। ই পৃথিৱীৰ সপ্ত আচৰিত বস্তুৰ ভিতৰত এটা। পঞ্চম মোগল সম্ৰাট ছাহজাহানে নিজৰ পত্নী মমতাজ বেগমৰ স্মৃতি ৰক্ষাৰ্থে তাইৰ কবৰৰ ওপৰত তাজমহল নিৰ্মাণ কৰিছিল। ই যমুনা নদীৰ পাৰত অৱস্থিত। তাজমহলৰ উপৰিও সম্ৰাট ছাহজাহানে দিল্লীৰ জুমা মছজিদ, লালকিল্লা, দেৱান-ই- আম, দেৱান-ই- খাচ আদি নিৰ্মাণ কৰিছিল। তেওঁ অতিকৈ সৌন্দৰ্যপ্ৰিয় আৰু বিলাসী সম্ৰাট আছিল।

তাজমহল বগা মাৰ্বল পাথৰেৰে নিৰ্মিত। ই ভাৰতীয় আৰু পাৰ্চী স্থাপত্য কলাৰ এক সুন্দৰ নিদৰ্শন। তাজমহল বিশ হাজাৰ শ্ৰমিকে বাইশ বছৰ অক্লান্ত পৰিশ্ৰম কৰি নিৰ্মাণ কৰিছিল। ইয়াৰ প্ৰধান স্থপতিজনৰ নাম আছিল ওস্তাদ বেবাদল খাঁ। এই তাজহমলখন নিৰ্মাণৰ বাবে প্ৰয়োজনীয় বগা মাৰ্বল পাথৰ সুদূৰ আৰব আৰু পাৰস্য দেশৰ পৰা অনা হৈছিল। ইয়াৰ স্থাপত্য কলা আৰু সৌন্দৰ্য ইমানেই আকৰ্ষণীয় যে দেশ-বিদেশৰ পৰা হাজাৰ হাজাৰ পৰ্যটক তাজমহল দৰ্শন কৰিবলৈ আহে।

তাজমহলৰ লগতে এখন সুন্দৰ মছজিদ আছে। তাত নিয়মিতভাৱে নামাজ পঢ়া হয়। তাজমহলৰ সন্মুখত এখন সুন্দৰ বাগিছাও আছে। পূৰ্ণিমাৰ জোনৰ পোহৰত তাজমহল দৰ্শন এক স্বৰ্গীয় অভিজ্ঞতা। ইয়াৰ পৰিবেশ শান্ত আৰু মনোমুগ্ধকৰ। ই ভাৰতৰ এক গৌৰৱ।

## অনুশীলনী

## ক. ভাষা সম্পৰ্কীয় ঃ

### শব্দ অৰ্থ ঃ

**সম্রাট** ঃ ৰজা, কোনো এখন দেশৰ শাসনকৰ্তা।
**পত্নী** ঃ ঘৈনীয়েক।
**পৰ্যটক** ঃ ভ্ৰমণকাৰী।
**দৰ্শন কৰা** ঃ দেখা কৰা।
**মনোমুগ্ধকৰ** ঃ মনক মুগ্ধ কৰিব পৰা।
**পৰিৱেশ** ঃ কোনো ঠাইৰ চাৰিওফালৰ অৱস্থা।
**ওস্তাদ** ঃ শিক্ষক, প্ৰধান কাৰিকৰ।

### বিপৰীতাৰ্থক শব্দঃ

শিক্ষিত ঃ অশিক্ষিত।
পত্নী ঃ পতি, স্বামী।
বগা ঃ ক'লা।
দেশ ঃ বিদেশ।
সুন্দৰ ঃ কুৎসিত।
স্বৰ্গীয় ঃ পাৰ্থিৱ।
শান্ত ঃ অশান্ত।
সন্মুখ ঃ পিছ

## খ. বিষয়বস্তু সম্পৰ্কীয় ঃ

১। খালী ঠাই পূৰণ কৰা।

(ক) তাজমহল বগা .................... পাথৰেৰে নিৰ্মিত।

(খ) তাজমহল ........................ নদীৰ পাৰত অৱস্থিত।

(গ) ছাহজাহান অতিকৈ .......................... আৰু ..................... সম্ৰাট আছিল।

(ঘ) ....................... ভাৰতীয় আৰু পাৰ্চী স্থাপত্য কলাৰ এক সুন্দৰ নিদৰ্শন।

(ঙ) তাজমহলৰ লগতে এখন সুন্দৰ ........................ আছে।

২। উত্তৰ দিয়া।

(ক) তাজমহল কোনে নিৰ্মাণ কৰিছিল?

(খ) তাজমহলৰ উপৰিও ছাহজাহানে কি কি নিৰ্মাণ কৰিছিল?

(গ) তাজমহলখন কিমানজন শ্ৰমিকে কিমান বছৰ পৰিশ্ৰম কৰি নিৰ্মাণ কৰিছিল?

(ঘ) তাজমহলৰ প্ৰধান স্থপতিজনৰ নাম কি আছিল?

(ঙ) পৰ্যটক মানে কি?

৩। তাজমহলৰ বিষয়ে পাঁচোটামান বাক্য লিখা।

৪। তলত দিয়া শব্দ ব্যৱহাৰ কৰি একো একোটা বাক্য সাজাঁ।

আচৰিত সৌন্দৰ্যপ্ৰিয় পৰ্যটক মছজিদ গৌৰৱ

৫। তিনি শাৰী হাতৰ আখৰ লিখা।

# তাজমহল ভাৰতৰ এক গৌৰৱ।

## গ. কাৰ্য-কলাপ ঃ

আহোম ৰজাসকলে নিৰ্মাণ কৰা চাৰিটামান কীৰ্তি স্তম্ভৰ নাম তোমাৰ শিক্ষকৰ পৰা জানি লৈ সেইবোৰৰ ছবি সংগ্ৰহ কৰা।

০ ০ ০

# পাঠ ঃ এঘাৰ

# ভিন ভিন বৰ্ণৰ যোগ

| | | | |
|---|---|---|---|
| চ + ছ = চ্ছ | *(চয় ছয় চ্ছ)* | *যেনে ঃ উচ্ছেদ, বিচ্ছেদ* |
| প + স = প্স | *(পয় সয় প্স)* | *যেনে ঃ অভীপ্সা, লিপ্সা* |
| দ + ভ = দ্ভ | *(দয় ভয় দ্ভ)* | *যেনে ঃ উদ্ভিদ, উদ্ভাৱন* |
| ক্ষ + ন = ক্ষ্ন | *(ক্ষয় নয় ক্ষ্ন)* | *যেনে ঃ তীক্ষ্ন* |
| ক্ষ + ম = ক্ষ্ম | *(ক্ষয় ময় ক্ষ্ম)* | *যেনে ঃ সুক্ষ্ম, লক্ষ্মণ, লক্ষ্মী* |
| ণ + ড = ণ্ড | *(ণয় ডয় ণ্ড)* | *যেনে ঃ উদণ্ড, পণ্ড, দণ্ড, লণ্ডন, প্ৰচণ্ড* |
| ণ + ঢ = ণ্ঢ | *(ণয় ঢয় ণ্ঢ)* | *যেনে ঃ সণ্ঢালন, সণ্ঢালনি* |



মাটি ভেদি ওলোৱা গছ, বন আদিক উদ্ভিদ বোলে। পৃথিৱীত কেইবা হেজাৰ প্ৰজাতিৰ উদ্ভিদ আছে। এতিয়াও বহুবিধ উদ্ভিদ উদ্ভাৱন কৰিবলৈ বাকী আছে বুলি উদ্ভিদবিদসকলে দাবী কৰে।

অভীপ্সা মানে ইচ্ছা। জ্ঞানীলোকে সকলোৰে কল্যাণ অভীপ্সা কৰে। । খকুৱাই অধিক ভোজনৰ লিপ্সা কৰে। অধিক ভোজনে মানুহক ৰুগীয়া কৰে।

আনন্দৰাম বৰুৱা তীক্ষ্ন বুদ্ধিৰ ছাত্ৰ আছিল। তেওঁ উচ্চশিক্ষাৰ অৰ্থে লণ্ডনলৈ গৈছিল। তেওঁ সংস্কৃত শাস্ত্ৰত পাণ্ডিত্য অৰ্জন কৰিছিল। অধ্যয়নেই আছিল তেওঁৰ জীৱনৰ ব্ৰত। তেওঁ কেবাখনো কঠিন সংস্কৃত শাস্ত্ৰৰ টীকা প্ৰস্তুত কৰিছিল। বহুতে কয় তেওঁ সৰস্বতী আৰু লক্ষ্মীক একেলগে লাভ কৰিছিল।

উদণ্ড ল'ৰাই পঢ়া-শুনাত ভাল ফল দেখুৱাব নোৱাৰে। উদ্দণ্ডালিয়ে সকলো

সুগুণ পণ্ড কৰে। উদ্ভাণ্ডালি কৰি ফুৰা ল'ৰা-ছোৱালীৰ সমুচিত দণ্ড হোৱা উচিত।

প্ৰচণ্ড বেগেৰে বলা বতাহক ধুমুহা বতাহ বোলে। অসমত চ'ত আৰু বহাগ মাহত ধুমুহা বতাহ বলে। ধুমুহা বতাহত অনেক ক্ষয়-ক্ষতি হয়।

অসম বনজ সম্পদত চহকী ৰাজ্য। ইয়াৰ হাবিত বনৌষধি গছ সণ্ঢালনিকৈ পোৱা যায়।

## অনুশীলনী

## ক. ভাষা সম্পৰ্কীয় ঃ

### শব্দ অৰ্থ ঃ

**উদ্ভাৱন** ঃ আৱিষ্কাৰ।
**লিপ্সা** ঃ লুভীয়া।
**টীকা** ঃ ব্যাখ্যা।
**উদণ্ড** ঃ নীতি-নিয়ম মানি নচলা, শাসন নমনা।
**পণ্ড** ঃ নষ্ট।
**দণ্ড** ঃ শাস্তি।
**উদ্ভাণ্ডালি** ঃ দুষ্টালি।
**সণ্ঢালনি** ঃ উভৈনদী, বহু।

### বিপৰীতাৰ্থক শব্দঃ

জ্ঞানী ঃ মূৰ্খ, অজ্ঞানী।
তীক্ষ্ণ ঃ ভোতা।

লাভ ঃ লোকচান
সুগুণ ঃ দুৰ্গুণ।
দণ্ড ঃ পুৰস্কাৰ।

## খ. বিষয়বস্তু সম্পৰ্কীয় ঃ

১। খালী ঠাই পূৰণ কৰা ঃ

(ক) মাটি ভেদি ওলোৱা গছ, বন আদিক ................ বোলে।

(খ) অভীপ্সা মানে .................. ।

(গ) অধিক ভোজনে মানুহক ............................ কৰে।

(ঘ) আনন্দৰাম বৰুৱা ....................... বুদ্ধিৰ ছাত্ৰ আছিল।

(ঙ) প্ৰচণ্ড বেগেৰে বলা বতাহক ....................... বতাহ বোলে।

২। উত্তৰ দিয়া।

(ক) জ্ঞানীলোকে কি অভীপ্সা কৰে?

(খ) অধিক ভোজনে মানুহক কি কৰে?

(গ) কোনে সৰস্বতী আৰু লক্ষ্মীক একেলগে লাভ কৰিছিল?

(ঘ) ধুমুহা বতাহ কাক বোলে?

(ঙ) অসম কি সম্পদত চহকী?

৩। আনন্দৰাম বৰুৱাৰ বিষয়ে পাঁচোটামান বাক্য লিখা।

৪। তলত দিয়া শব্দ ব্যৱহাৰ কৰি একো একোটা বাক্য সাজাঁ।

উদ্ভাৱন অভীপ্সা পাণ্ডিত্য উদণ্ড সঞ্চালনি

৫। তিনি শাৰী হাতৰ আখৰ লিখা।

# অসম বনজ সম্পদত চহকী।

## গ. কাৰ্য-কলাপ ঃ

তোমাৰ ঘৰত বা তোমাৰ চুবুৰীত কি কি গছ আছে, সেইবোৰৰ নাম সংগ্ৰহ কৰা।

০ ০ ০

# পাঠ ঃ বাৰ

# জ্ঞানী ল'ৰা

আনৰ অহিত চিন্তা নকৰে যিজন
নকয় সি অসত্য বা অপ্ৰিয় বচন।
দোষ এৰি আনৰ যি গুণকহে ধৰে
নিজৰ দেখিলে দোষ পৰিত্যাগ কৰে।



সজ আলোচনাতহে মন যাৰ ৰয়
বিনয় বচনে কথা সকলোকে কয়।
শুনিলে নিজৰ নিন্দা আনৰ মুখত
উভতি নাপাৰে গালি খঙৰ কোবত।

পিতৃ-মাতৃৰ আজ্ঞাবাণী কৰে শিৰোগত
সৰ্ব্বদাই কৰে কাম সাধু-মনোমত।
পৰদ্ৰব্য দেখি কৰে লোভ সম্বৰণ
নিতে নিতে শিকে এনে ভদ্ৰ আচৰণ।

জ্ঞানী ল'ৰা বুলি তাক কয় সৰ্ব্বজন
তেনে ল'ৰা সকলোৰে নয়ন-ৰঞ্জন।

---- ধনাই বৰা

কবিতাটি নৰকান্ত বৰুৱাই সম্পাদনা কৰা 'মৰুৱা ফুল' কাব্য সংকলনখনৰ পৰা তুলি দিয়া হৈছে।

# অনুশীলনী

## ক. ভাষা সম্পৰ্কীয় ঃ

### শব্দ অৰ্থ ঃ

| | |
|---|---|
| **অহিত** | ঃ অকল্যাণ। |
| **অপ্রিয়** | ঃ ভাল নলগা, অপছন্দনীয়। |
| **পৰিত্যাগ** | ঃ ত্যাগ কৰা। |
| **সজ** | ঃ ভাল, সৎ। |
| **বিনয়** | ঃ নম্র। |
| **সৰ্ব্বদাই** | ঃ সদায়। |
| **সম্ভৰণ** | ঃ দমন কৰা, বাধা দিয়া। |
| **সৰ্ব্বজন** | ঃ সৰ্বসাধাৰণ লোক। |
| **নয়ন ৰঞ্জন** | ঃ অতি আদৰৰ। |

## খ. বিষয়বস্তু সম্পৰ্কীয় ঃ

১। কবিতাটি মনত ৰাখা।

২। কবিতাটিৰ মূল কথাখিনি নিজৰ ভাষাত কোৱা আৰু লিখা।

৩। খালী ঠাই পূৰণ কৰা ঃ

আনৰ অহিত চিন্তা নকৰে যিজন

.................................................. ।

দোষ এৰি আনৰ যি গুণকহে ধৰে

.................................................. ।

সজ আলোচনাতহে মন যাৰ ৰয়

.................................................. ।

শুনিলে নিজৰ নিন্দা আনৰ মুখত

.................................................... ।

৩। উত্তৰ দিয়া।

(ক) 'জ্ঞানী ল'ৰা' কবিতাটিৰ কবি কোন?

(খ) জ্ঞানী ল'ৰাই আনৰ কি গ্ৰহণ কৰে?

(গ) জ্ঞানী ল'ৰাই আনৰ মুখত নিজৰ নিন্দা শুনিলে কি কৰে?

(ঘ) পৰদ্ৰব্য দেখি জ্ঞানী ল'ৰাই কি কৰে?

(ঙ) জ্ঞানী ল'ৰাই কেতিয়া ভদ্ৰ আচৰণ শিকে?

৪। তলত দিয়া শব্দ ব্যৱহাৰ কৰি একো একোটা বাক্য সাজাঁ।

অহিত অপ্ৰিয় লোভ ভদ্ৰ জ্ঞানী

৫। পঢ়া, বুজা আৰু লিখা। (এটি তোমাৰ বাবে কৰি দিয়া হৈছে)

(ক) হিত ঃ অহিত

(খ) সত্য ঃ ..............

(গ) প্ৰিয় ঃ ..............

(ঘ) ভদ্ৰ ঃ ..............

(ঙ) নম্ৰ ঃ ...............

o o o

# গোট-৪

## পাঠ ঃ তেৰ

# চৰাইৰ পৃথিৱী



সাধাৰণতে দুঠেঙীয়া, ডেউকা থকা, কণী পাৰি পোৱালি জগোৱা আৰু উৰিব পৰা প্ৰাণীক চৰাই বোলে। পৃথিৱীত কেইবা হাজাৰ প্ৰজাতিৰ চৰাই আছে। বৈজ্ঞানিকসকলে আজিলৈকে ন হাজাৰ সাত শ দুই প্ৰজাতিৰ চৰাই চিনাক্ত কৰিছে। প্ৰতিবিধ প্ৰজাতিৰ চৰাইৰ কিছুমান বিশেষ বিশেষ বৈশিষ্ট্য আছে যিবোৰ বৈশিষ্ট্যই এবিধ চৰাইক আন বিধ চৰাইৰ পৰা পৃথক কৰিছে। চৰাইবোৰ বিভিন্ন ৰঙৰ আৰু বিভিন্ন আকাৰৰ হয়। কিছুমান চৰাই অতি ৰঙচঙীয়া যেনে ঃ ময়ুৰ, ধনেশ, বাঢ়ৈটোকা, মাছৰোকা আদি। আকৌ কিছুমান চৰাই ক'লা ৰঙৰ যেনে ঃ কাউৰী, কুলি, পানী কাউৰী আদি। কিছুমান চৰাই উৰিব নোৱাৰে যেনে ঃ উটপক্ষী। পেঙ্গুইন চৰাই অতি দ্ৰুতবেগত সাঁতুৰিব পৰা চৰাই। আনহাতে কিছুমান চৰাই আকাৰত অতি ক্ষুদ্ৰ যেনে ঃ হামিংবাৰ্ড।

ইয়াত টোকোৰা চৰাইৰ বিষয়ে কিছু কথা ক'বলৈ লোৱা হৈছে। টোকোৰা চৰাই পৃথিৱীৰ প্ৰায় সকলো দেশতে কম বেছি পৰিমাণে পোৱা যায় যদিও নিৰক্ষীয় অঞ্চলত ই যথেষ্ট পৰিমাণে দেখা যায়। টোকোৰা চৰাইৰ আকৌ ভিন ভিন জাত আছে। জাত অনুসৰি ইয়াৰ পাখিৰ গঠন আৰু বৰণ সামান্য পৰিমাণে বেলেগ হয়। ভাৰতৰ সকলো অঞ্চলতে টোকোৰা চৰাই পোৱা যায়। ইহঁতে ধান, মাহ, সৰিয়হ আদি শস্যবোৰ জাক পাতি খাই ফুৰে। ফল-মূল, বনৰীয়া ঘাঁহ-বনৰ গুটি, কীট-পতঙ্গ আদিও সিহঁতৰ প্ৰিয় খাদ্য।

টোকোৰা চৰাইৰ এক বিশেষ বৈশিষ্ট্য হৈছে ই এক বিশেষ ধৰণৰ বাহ সাঁজিব পাৰে। সিহঁতে সাধাৰণতে খেজুৰ, নাৰিকল, তাল, তামোল আদি ওখ গছত বাহ সাঁজে। বিশেষ লক্ষণীয় যে সিহঁতে এইবোৰ গছৰ ফল নাখায়। ইহঁতৰ বাহবোৰ অতি সুন্দৰ আৰু বিস্ময়জনক। সিহঁতে গছৰ দীঘল দীঘল পাতবোৰৰ পৰা আঁহ উলিয়াই বোৱনীয়ে কাপোৰ বোৱাৰ দৰে সেই আঁহেৰে টোকোৰা চৰাইয়ে ডাঠকৈ বাহ গুঁঠি উলিয়ায়। সিহঁতে বাহবোৰ এনেভাৱে সাজে যাতে বতাহ-বৰষুণে বাহটো সহজে নষ্ট কৰিব নোৱাৰে আৰু আন চৰাই-চিৰিকটিও বাহটোত সোমাব নোৱাৰে। সিহঁতে বাহটোৰ গুৰি অংশটো ঠেককৈ আৰু তাৰ মাজৰ অংশটো ক্ৰমাৎ বহলকৈ সাজে। মাজভাগটো আহল-বহল বাতি এটাৰ দৰে ঘোৰখোৱা। তাত মাইকী টোকোৰাজনীয়ে কণী পাৰি পোৱালি জগায়। বাহটোৰ তলৰ অংশটো ক্ৰমে চিয়াঁ। চিয়াঁ অংশৰ মূৰৰ ঠেক ফুটাটোৰে সিহঁতে বাহটোৰ ভিতৰত ওলোৱা-সোমোৱা কৰে। মুঠতে সিহঁতে নিজৰ বাহটো ইমান নিখুঁতকৈ সাজে যে টোকোৰা চৰাইক পক্ষী কুলৰ অভিযন্তা বুলি ক'ব পাৰি।

**উৎস ঃ** *ইন্টাৰনেট, অংকুৰণ (তৃতীয় ভাগ),ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ।*

# অনুশীলনী

## ক. ভাষা সম্পৰ্কীয় ঃ

### শব্দ অৰ্থ ঃ

| | |
|---|---|
| **ডেউকা** | ঃ চৰাইৰ বাহু। |
| **বৈশিষ্ট্য** | ঃ লক্ষণ। |
| **টোকোৰা চৰাই** | ঃ এবিধ সৰু চৰাই। |
| **নিৰক্ষীয় অঞ্চল** | ঃ বিষুব ৰেখাৰ দুয়োকাষৰ অঞ্চল। |
| **চিয়াঁ** | ঃ আন ভাগতকৈ লাহী বা ক্ষীণ। |
| **নিখুঁত** | ঃ খুঁত বা ভুল নথকা। |
| **অভিযন্তা** | ঃ কোনো কাৰিকৰী বিদ্যাত নিপুণ ব্যক্তি। |

### বিপৰীতাৰ্থক শব্দঃ

| | |
|---|---|
| চিনাক্ত | ঃ অচিনাক্ত। |
| কম | ঃ বেছি। |
| ওখ | ঃ চুটি, চাপৰ। |
| গুৰি | ঃ আগ। |
| ঠেক | ঃ বহল। |
| মতা | ঃ মাইকী। |

## খ. বিষয়বস্তু সম্পৰ্কীয় ঃ

১। খালী ঠাই পূৰণ কৰা।

(ক) চৰাই বিভিন্ন ..................... আৰু বিভিন্ন .................... হয়।

(খ) .................... অতি দ্ৰুতবেগত সাঁতুৰিব পৰা চৰাই।

(গ) টোকোৰা চৰাইৰ বাহটোৰ গুৰি অংশটো ................. ।

(ঘ) বাহটোৰ তলৰ অংশ ক্ৰমে ....................... ।

(ঙ) টোকোৰা চৰাইক পক্ষীকুলৰ ................. বুলি ক'ব পাৰি।

২। উত্তৰ দিয়া।

(ক) চৰাই কাক বোলে?

(খ) পৃথিৱীত কিমান প্ৰজাতিৰ চৰাই আছে?

(গ) তিনিবিধ ৰংচঙীয়া চৰাইৰ নাম লিখা।

(ঘ) অতি দ্ৰুত বেগত সাঁতুৰিব পৰা চৰাই কি?

(ঙ) টোকোৰা চৰাইক কিয় পক্ষীকুলৰ অভিযন্তা বুলি কোৱা হয়?

৩। টোকোৰা চৰাইৰ বিষয়ে পাঁচটামান বাক্য লিখা।

৪। তলত দিয়া শব্দ ব্যৱহাৰ কৰি একো একোটা বাক্য সাজাঁ।

ডেউকা বৈশিষ্ট্য চিয়াঁ নিখুঁত অভিযন্তা।

৫। তিনি শাৰী হাতৰ আখৰ লিখা।

# টোকোৰা চৰাই পক্ষীকুলৰ অভিযন্তা।


## গ. কাৰ্য-কলাপ ঃ

তুমি সচৰাচৰ দেখা পোৱা চৰাইৰ এখন তালিকা প্ৰস্তুত কৰি তোমাৰ শিক্ষকক দেখুওৱা।

০ ০ ০

# পাঠ ঃ চৈধ্য

# চাইকেলৰ ইতিহাস



চাইকেল হৈছে অতি জনপ্ৰিয় দুচকীয়া বাহন। পৃথিৱীৰ লাখ লাখ মানুহৰ প্ৰিয় বাহন হিচাপে চাইকেল ব্যৱহাৰ হৈ আছে। চাইকেলেৰে যাতায়ত কৰাটো যাতায়তৰ অন্যান্য মাধ্যমৰ তুলনাত কম খৰচী আৰু স্বাস্থ্যকৰ। কিন্তু বৰ্তমান আমি যি চাইকেল ব্যৱহাৰ কৰোঁ, সেয়া এদিনতে আৱিষ্কাৰ হোৱা নাছিল। ই প্ৰায় অৰ্ধশতাব্দী কালজুৰি চলা ক্ৰমঃবিকাশ আৰু পৰীক্ষা -নিৰীক্ষাৰ ফল।

ঊনবিংশ শতিকাৰ প্ৰাৰম্ভিকতে কম্প দ্য ছিভৰা নামৰ এজন ফৰাচীলোকে প্ৰথমতে দুচকীয়া কাঠৰ বাহন তৈয়াৰ কৰিছিল। ইয়াৰ কোনো পেডেল নাছিল। এজনে ইয়াৰ ওপৰত আৰোহণ কৰিলে আন এজনে ইয়াক ঠেলি নিব লগা হৈছিল। সেয়ে ই জনপ্ৰিয়তা লাভ কৰিব নোৱাৰিলে।

১৮৩৯ চনত স্কটলেণ্ডৰ মেকমিলান নামৰ এজন কমাৰে আন এক প্ৰকাৰৰ দুচকীয়া বাহন তৈয়াৰ কৰে। সেইটোত এজন আৰোহী বহা আসন আছিল আৰু পিছৰ চকাটো ঘূৰাবলৈ পেডেল আছিল। মেকমিলানৰ সেই দুচকীয়া বাহনটোৱেই আছিল আমি বৰ্তমানে ব্যৱহাৰ কৰা চাইকেলৰ প্ৰথম আৰ্হি।

ইয়াৰ পিছত ইংলণ্ডৰ এক কোম্পানীয়ে ভিন্ন আৰ্হিৰ আন এক দুচকীয়া বাহন তৈয়াৰ কৰে। ইয়াৰ পিছৰ চকাটো সন্মুখৰ চকাটোতকৈ বহু সৰু আছিল। এইটো দ্ৰুত বেগীও আছিল। কিন্তু ইয়াৰ কোনো ব্ৰেক নাছিল বাবে ইয়াৰ দ্বাৰা যাতায়ত কৰাটো নিৰাপদ নাছিল।

১৮৭৯ চনত প্ৰথম ব্যৱসায়িক চাইকেল তৈয়াৰ কৰা হয়। ইয়াৰ চেইন আৰু গীয়েৰৰ ব্যৱস্থা আছিল। বৰ্তমান যিবোৰ চাইকেল আমি ব্যৱহাৰ কৰোঁ সেই আটাইবোৰৰ নিৰ্মাণ পদ্ধতি আৰু আৰ্হি প্ৰায় একেই। ইয়াৰ এটা চেইন, দুটা চকা, ব্ৰেক, ছিট, হেণ্ডেল আদি আছে। চাইকেল এখন চলিবলৈ হ'লে আৰোহীজনে আসনত বহি ভৰিৰে পেডেলত হেঁচা মাৰি চেইনটো ঘূৰাব লাগে আৰু চেইনে পিছৰ চকাটো ঘূৰাই দি ইয়াক গতি শক্তি দান কৰে।

বৰ্তমান যুগত যাতায়তৰ বহুতো উন্নত আৰু দ্ৰুত মাধ্যমৰ আৱিষ্কাৰ হৈছে যদিও চাইকেলেৰে কৰা যাতায়তৰ বহুত সুবিধা আৰু উপকাৰিতা আছে। যেনে ঃ

প্ৰথম, অন্যান্য বাহনৰ তুলনাত চাইকেল সস্তা। ইয়াক দুখীয়া মানুহেও সহজে ক্ৰয় কৰিব পাৰে।

দ্বিতীয়তে, চাইকেল চলোৱাটো এক ভাল ব্যায়াম। প্ৰতিদিন নিয়মিত চাইকেলেৰে যাতায়ত কৰিলে আমাৰ ভৰিৰ ব্যায়াম হয়। ৰক্ত সঞ্চালনো সুচল হয়।

তৃতীয়তে, চাইকেল অতি কম খৰচী। চাইকেল চলোৱাৰ বাবে কোনো ইন্ধন নালাগে।

চতুৰ্থতে, চাইকেলত ইন্ধন নালাগে বাবে ইয়াৰ পৰা কোনো ধোঁৱা নিৰ্গত নহয়। ফলত ইয়াৰ দ্বাৰা পৰিৱেশৰ কোনো প্ৰদূষণ নহয়।

পঞ্চমতে, চাইকেল হ'ল স্বাধীন বাহন। চাইকেল আৰোহী এজনে নিজৰ ইচ্ছামতে ইয়াক ব্যৱহাৰ কৰিব পাৰে।

ষষ্ঠতে, যাতায়তৰ অন্যান্য মাধ্যমত হোৱা দুৰ্ঘটনাৰ তুলনাত চাইকেলেৰে কৰা যাতায়তত দুৰ্ঘটনা হোৱাৰ সম্ভাৱনা কম।

ষষ্ঠতে, যিকোনো সাধাৰণ বা ঠেক বাটেৰেও আমি চাইকেলৰ জৰিয়তে যাতায়ত কৰিব পাৰোঁ।

মুঠতে চাইকেল হৈছে সুলভ, সহজ আৰু জনপ্ৰিয় বাহন।

## অনুশীলনী

## ক. ভাষা সম্পৰ্কীয় ঃ

### শব্দ অৰ্থ ঃ

**মাধ্যম** ঃ উপায়।
**প্ৰাৰম্ভিকতে** ঃ আৰম্ভণিতে।
**আৰোহণ কৰা** ঃ কোনো যান-বাহনত উঠা।
**ক্ৰমঃবিকাশ** ঃ লাহে লাহে বিকাশ বা উন্নতি লাভ কৰা।
**আৰ্হি** ঃ নমুনা।
**অৰ্ধশতাব্দী** ঃ পঞ্চাশ বছৰ।
**সস্তা** ঃ কম দামী বা কম খৰচী।
**সঞ্চালন** ঃ চলাচল।

### বিপৰীতাৰ্থক শব্দঃ

বৰ্তমান ঃ অতীত।
দ্ৰুত ঃ লেহেম।
গতি ঃ স্থিৰ।
সুবিধা ঃ অসুবিধা।
উপকাৰিতা ঃ অপকাৰিতা

## খ. বিষয়বস্তু সম্পৰ্কীয় ঃ

১। শুদ্ধ নে অশুদ্ধ লিখা।

(ক) চাইকেল হৈছে অতি জনপ্ৰিয় দুচকীয়া বাহন।

(খ) চাইকেলেৰে যাতায়ত কৰাটো অস্বাস্থ্যকৰ।

(গ) কম্প দ্য ছিভৰা এজন ফৰাচী লোক আছিল।

(ঘ) ১৮৭৯ চনত প্ৰথম ব্যৱসায়িক চাইকেল তৈয়াৰ কৰা হয়।

(ঙ) চাইকেল ধনী মানুহৰ বাহন।

২। উত্তৰ দিয়া।

(ক) কোনে প্ৰথমতে দুচকীয়া কাঠৰ বাহন তৈয়াৰ কৰিছিল ?

(খ) আধুনিক যুগত ব্যৱহাৰ কৰা চাইকেলৰ প্ৰথম আৰ্হি কোনে তৈয়াৰ কৰিছিল ?

(গ) কেতিয়াৰ পৰা ব্যৱসায়িক চাইকেল তৈয়াৰ কৰা হয় ?

(ঘ) চাইকেল এটাই কেনেদৰে গতি শক্তি লাভ কৰে ?

(ঙ) মেকমিলান কোন আছিল ?

৩। চাইকেলেৰে যাতায়ত কৰাৰ পাঁচোটা সুবিধা উল্লেখ কৰা।

৪। তলত দিয়া শব্দ ব্যৱহাৰ কৰি একো একোটা বাক্য সাজাঁ।

যাতায়ত আৰোহন ক্ৰমঃবিকাশ জনপ্ৰিয়তা ব্যয়াম।

৫। তিনি শাৰী হাতৰ আখৰ লিখা।

# চাইকেল এক জনপ্ৰিয় বাহন।

## গ. কাৰ্য-কলাপ ঃ

মটৰ চাইকেল আৰু চাইকেলৰ মাজত পাৰ্থক্য আছেনে ? তোমাৰ বন্ধু-বান্ধৱীৰ লগত এই বিষয়ে আলোচনা কৰা।

০ ০ ০

# পাঠ ঃ পোন্ধৰ

# অসম গৌৰৱ বীৰাঙ্গনা মূলাগাভৰু

এটা সময়ত বিশ্বৰ অধিকাংশ দেশত ৰাজতন্ত্ৰৰ প্ৰচলন আছিল। সেই সময়ত প্ৰায়েই এখন দেশৰ লগত আনখন দেশৰ যুদ্ধ-বিগ্ৰহ সংঘটিত হৈছিল। কিছুমান ৰজাই সাম্ৰাজ্যৰ পৰিসৰ বিস্তাৰৰ বাবে, কিছুমানে নিজৰ শৌৰ্য-বীৰ্য প্ৰদৰ্শনৰ বাবে আৰু কিছুমানে ধৰ্মৰ বাবে যুদ্ধ কৰিছিল। যুদ্ধত প্ৰধানকৈ পুৰুষসকলে অংশ গ্ৰহণ কৰিছিল যদিও কেতিয়াবা কেতিয়াবা নাৰীয়েও সেনাপতিৰ দায়িত্ব পালন কৰি বীৰ বেশেৰে যুদ্ধ কৰিছিল। উদাহৰণ স্বৰূপে ফ্ৰান্সত জোৱান অৱ আৰ্ক, ভাৰতত দাস বংশৰ চুলতানা ৰেজিয়া, ঝান্সীৰ ৰাণী লক্ষ্মীবাই আদি বীৰাঙ্গনা নাৰী সকলৰ নাম ল'ব পাৰি। অসমতো এসময়ত এনে এজনী বীৰাঙ্গনা নাৰীৰ জন্ম হৈছিল। তাই আছিল আহোম ৰজা চুহুংমুং বা স্বৰ্গনাৰায়ণৰ মন্ত্ৰী ফ্ৰাচেংমুং বৰগোহাঁইৰ পত্নী মূলাগাভৰু।

আহোম ৰজা স্বৰ্গনাৰায়ণৰ ৰাজত্ব কালত ১৫৩২ খ্ৰীষ্টাব্দত মুছলমানসকলে অসম আক্ৰমণ কৰে। মুছলমানসকলৰ সেনাপতিজনৰ নাম আছিল তুৰ্বক। তুৰ্বকৰ অধীনত মুছলমান সৈন্যই অসমৰ কলিয়াবৰলৈ উজাই আহে। তাত তুৰ্বকৰ লগত আহোম সেনাৰ থৈয়া-নথৈয়া ৰণ হয়। সেই ৰণত কেইবাজনো আহোম সেনাপতিৰ মৃত্যু হয়। স্বৰ্গদেউ বৰ বিচলিত হৈ আন এজন মন্ত্ৰী ফ্ৰাচেংমুং বৰগোহাঁইক প্ৰধান সেনাপতি পাতি তুৰ্বকক প্ৰতিহত কৰিবলৈ আদেশ দিলে। স্বৰ্গদেউৰ আদেশ মানি ফ্ৰাচেংমুং বৰগোঁহাই যুদ্ধলৈ যাবলৈ প্ৰস্তুত হ'ল। সেই সময়ত অসমত এক জনবিশ্বাস প্ৰচলিত আছিল যে কোনো সৈনিকে কৱচ-কাপোৰ পিন্ধি যুদ্ধলৈ গ'লে যুদ্ধত জয়লাভ

হয়। এৰাতিৰ ভিতৰতে কোনো সৈনিক বা যোদ্ধাৰ পত্নীয়ে কঁপাহ নেউঠি, পাঁজিকাটি, সূতা কাটি বৈ উলিওৱা কাপোৰক কৱচ-কাপোৰ বোলে।

যুদ্ধলৈ যাবলৈ সাজু হৈ ফ্ৰাচেংমুং বৰগোহাঁইয়ে পত্নী মূলাগাভৰুক কৱচ-কাপোৰ বিচাৰিলে। হঠাৎ বৰগোঁহাই যুদ্ধলৈ যাবলৈ ওলোৱাত পত্নী মূলাগাভৰু বিমোৰত পৰিল। কিবা কাৰণত তাই এৰাতিৰ ভিতৰতে কৱচ-কাপোৰ তৈয়াৰ কৰি দিবলৈ অপাৰগ হ'ল। অৱশেষত বৰগোহাঁইয়ে কৱচ-কাপোৰ নোহোৱাকৈয়ে সৈন্য-সামন্ত লৈ তুৰ্বকক ভেটিবলৈ গ'ল। পুনৰ দুয়োপক্ষৰ মাজত থৈয়া-নথৈয়া ৰণ লাগিল। তুৰ্বকৰ লগত প্ৰাণ টাকি যুঁজিও বৰগোহাঁই জয়ী হ'ব নোৱাৰিলে। ৰণক্ষেত্ৰতে তেওঁ মৃত্যুক আকোঁৱালি ললে।

বৰগোঁহাইৰ মৃত্যুৰ বাতৰি ৰাজধানী পালেগৈ। স্বৰ্গদেউ অতিকৈ চিন্তিত হ'ল। ইপিনে বৰগোহাঁইৰ পত্নী মূলাগাভৰু স্বামীৰ মৃত্যু সংবাদ পাই শোকত ভাগি পৰিল। তেওঁ ভাৱিলে যে ৰাতিটোৰ ভিতৰতে কৱচ-কাপোৰ বৈ দিব নোৱাৰাত তেওঁৰ স্বামী ৰণত পৰিল।

অৱশেষত নিজকে সংযত কৰি পতিহন্তা তুৰ্বকৰ বিৰুদ্ধে নিজে যুঁজ দিবলৈ দৃঢ়প্ৰতিজ্ঞ হ'ল। স্বৰ্গদেউৰ আদেশ লৈ মূলাগাভৰুৱে হাতত হেংদাং লৈ বীৰ বেশেৰে যুদ্ধভূমিলৈ ওলাল। মূলাগাভৰুৰ সাহস দেখি আন কেইবাগৰাকী আহোম ৰমণীয়েও হাতত হেংদাং লৈ মূলাগাভৰুৰ লগত যুদ্ধলৈ ওলাল।

নাৰী বাহিনীৰ বীৰত্ব আৰু মনোবল দেখি আহোম সেনাৰ মনোবল দুগুণে বাঢ়িল। আহোম সৈনিকসকলে মূলাগাভৰুৰ নেতৃত্বত মহাপৰাক্ৰমেৰে তুৰ্বকৰ সৈনিকৰ লগত যুঁজ দিলে। সিহঁতে প্ৰৱল পৰাক্ৰমেৰে যুঁজি তুৰ্বকৰ বহুত সৈন্য নিপাত কৰিলে। মুছলমান সৈন্যই মূলাগাভৰুৰ সাহস আৰু বীৰত্ব দেখি বিস্ময় মানিলে। অৱশেষত তুৰ্বকৰ অস্ত্ৰৰ আঘাতত মূলাগাভৰু হাতীৰ পিঠিৰ পৰা ঢলি পৰিল। পাছত কনচেং বৰপাত্ৰগোহাঁইৰ নেতৃত্বত আহোম

সৈন্যই তুৰ্বকৰ সৈন্যক কৰতোৱা নদীলৈকে খেদি পঠালে।

মূলাগাভৰুৰ মৃত্যু হ'ল সঁচা; কিন্তু তেওঁ অসমীয়া নাৰী জাতিৰ বীৰত্বৰ আদৰ্শ হৈ থাকিল। যুগে যুগে মূলাগাভৰু অসমীয়া নাৰীসকলৰ প্ৰেৰণাৰ উৎস হৈ থাকিব।

## অনুশীলনী

## ক. ভাষা সম্পৰ্কীয় ঃ

### শব্দ অৰ্থ ঃ

**ৰাজতন্ত্ৰ** ঃ ৰজাৰ শাসন পদ্ধতি।
**সাম্ৰাজ্য** ঃ সম্ৰাট বা ৰজাৰ অধীনস্থ দেশ।
**শৌৰ্য-বীৰ্য** ঃ বল-বিক্ৰম।
**থৈয়া-নথৈয়া** ঃ তুমুল, ভয়ানক, তয়া-ময়া।
**বিচলিত** ঃ মনত দুখ পোৱা।
**জনবিশ্বাস** ঃ পৰম্পৰাগত বিশ্বাস।
**পতিহন্তা** ঃ স্বামী হত্যা।
**হেংদাং** ঃ এবিধ যুদ্ধৰ অস্ত্ৰ।

### বিপৰীতাৰ্থক শব্দঃ

ৰাজতন্ত্ৰ ঃ গণতন্ত্ৰ।
জন্ম ঃ মৃত্যু।
যুদ্ধ ঃ শান্তি।
উজাই ঃ ভটিয়াই।

## খ. বিষয়বস্তু সম্পৰ্কীয় ঃ

১। খালী ঠাই পূৰণ কৰা।

(ক) এটা সময়ত বিশ্বৰ অধিকাংশ দেশত ....................... প্ৰচলন আছিল।

(খ) মুছলমানসকলৰ সেনাপতিজনৰ নাম আছিল ..................... ।

(গ) ...................... ৰণত কেইবাজনো আহোম সেনাপতিৰ মৃত্যু হয়।

(ঘ) ............................ হাতত হেংদাং লৈ বীৰবেশেৰে যুদ্ধ ক্ষেত্ৰলৈ ওলাল।

(ঙ) তুৰ্বকে অসম আক্ৰমণ কৰে ......................... খ্ৰীষ্টাব্দত।

২। উত্তৰ দিয়া।

(ক) আগৰ যুগত ৰজাসকলে কিয় যুদ্ধ কৰিছিল ?

(খ) মূলাগাভৰু কোন আছিল ?

(গ) কৰচ-কাপোৰ কি ?

(ঘ) তুৰ্বকে কোন চনত অসম আক্ৰমণ কৰিছিল ?

(ঙ) অৱশেষত তুৰ্বক বাহিনীৰ কি হৈছিল ?

৩। তুৰ্বকৰ অসম আক্ৰমণৰ বিষয়ে পাঁচোটামান বাক্য লিখা।

৪। তলত দিয়া শব্দ ব্যৱহাৰ কৰি একো একোটা বাক্য সাজাঁ।

স্বৰ্গদেউ সেনাপতি থৈয়া-নথৈয়া জনবিশ্বাস বীৰত্ব।

৫। তিনি শাৰী হাতৰ আখৰ লিখা।

# মূলাগাভৰু অসমৰ গৌৰৱ।

## গ. কাৰ্য-কলাপ ঃ

আহোমসকলে যুদ্ধত কি কি অস্ত্ৰ ব্যৱহাৰ কৰিছিল। তোমাৰ শিক্ষকৰ পৰা জানি লৈ এটি তালিকা প্ৰস্তুত কৰা।

o o o

# পাঠ ঃ ষোল্ল


# অনুকাৰ



গিৰ্ গিৰ্ মেঘে গাজে বৰ বাৰিষাত,
চিৰ্ চিৰ্ নিজৰাৰ সুৰ সনা মাত।
জিৰ্ জিৰ্ ধাননিত বতাহৰ নাচ,
ঝিৰ্ ঝিৰ্ বৰষুণে বজায় কোৰাচ্।



পিৰ্ পিৰ্ লানি শাৰী উই পৰুৱাৰ,
ফিৰ্ ফিৰ্ বতাহত ঠেটুৰাই জাৰ।
বিৰ্ বিৰ্ শাও দিয়া বলিয়াৰ মাত,
সিৰ্ সিৰ্ কৰে নোম ডালি ডালি পাত।



শিৰ্ শিৰ্ কঁপনিত দূৰৰ পাহাৰ,
হিৰ্ হিৰ্ কৰে যেন খহিব অপাৰ।
কিচ্ কিচ্ কৰে ক'লা ডেউকা কুলিৰ,
খিচ্ খিচ্ কৰে দেহা মাজৰ ধূলিৰ।



গিজ্ গিজ্ কৰে লোক ৰভাৰ তলত,
হিচ্ হিচ্ এঠা দ'ই বিয়াৰ ঘৰত।
উচ্ পিচ্ কৰে মন অথিৰ অবিৰ,
বিচ্ বিচ্ মাছ কাছ তলত পানীৰ।

লিচ্ লিচ্ কৰে হাত কিবা কৰিবলে'
বিজ্ বিজ্ কৰে গাত বিছা বাগৰিলে।

*--দেবেন্দ্ৰ নাথ আচাৰ্য*

## অনুশীলনী

## ক. ভাষা সম্পৰ্কীয় ঃ

### শব্দ অৰ্থ ঃ

**অনুকাৰ** ঃ কোনো এক ধ্বনিৰ তুল্য শব্দ। এটা সুৰ অনুকৰণ কৰি লিখা শব্দ। যেনে ঃ কা কা (কাউৰীৰ মাত), গিৰ্ গিৰ্ (মেঘৰ শব্দ)।

**কোৰাচ** ঃ কেইবাজনে সমসুৰত গোৱা গীত।

**ঠেটুৰাই জাৰ** ঃ শৰীৰ কঁপোৱা জাৰ।

**ৰভা** ঃ কোনো উৎসৱ উপলক্ষে মানুহ বহিব পৰাকৈ সজোৱা আহল-বহল বৈঠকখানা।

## খ. বিষয়বস্তু সম্পৰ্কীয় ঃ

১। কবিতাটি মনত ৰাখা।
২। কবিতাটিৰ মূল কথাখিনি নিজৰ ভাষাত কোৱা আৰু লিখা।
৩। খালী ঠাই পূৰণ কৰা ঃ

.............মেঘে গাজে বৰ বাৰিষাত,
............. নিজৰাৰ সুৰ সনা মাত।
............. ধাননিত বতাহৰ নাচ,
............ বৰষুণে বজায় কোৰাচ্।

.............. লানি শাৰী উই পৰুৱাৰ,
.............. বতাহত ঠেটুৱাই জাৰ।
............. শাও দিয়া বলিয়াৰ মাত,
............ কৰে নোম ডালি ডালি পাত।

৩। উত্তৰ দিয়া।

(ক) মেঘে কেনেদৰে গাজে?

(খ) বতাহৰ শব্দ কেনেকুৱা?

(গ) কুলিৰ ডেউকা কেনেকুৱা?

(ঘ) ৰভাতলিৰ শব্দ কেনেকুৱা?

(ঙ) আমাৰ শৰীৰত বিছা বগালে কেনেকুৱা লাগে?

৪। তলত দিয়া শব্দ ব্যৱহাৰ কৰি একো একোটা বাক্য সাজাঁ।

ঝিৰ্ ঝিৰ্ গিজ্ গিজ্ উচ্পিচ্ ফিৰ্ ফিৰ্ চিৰ্ চিৰ্

৫। পঢ়া, বুজা আৰু লিখা। (এটি তোমাৰ বাবে কৰি দিয়া হৈছে)

(ক) নাচ্ ঃ কোৰাচ্

(খ) মাত ঃ ..............

(গ) পাহাৰ ঃ ..............

(ঘ) কুলিৰ ঃ ..............

(ঙ) তলত ঃ ...............

০ ০ ০

অসমীয়া সাহিত্য সোপান-তৃতীয় ভাগ / 65